## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kalkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, 18 | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৭/৫

# সূচী


| বিষয় | সূচী |
|---|---|
| সম্পাদকের চেষ্টা | ৩৯৬ |
| বিশ্বের বিচার | ৩৯৭ |
| সন্ত্রাস | ৩৯৮ |
| গান | ৪০৮ |
| অমৃত-প্রসাদ | ৪০৯ |
| আপ্যায়ন | ৪১২ |
| অন্নদাত্রী পত্রী | ৪১১ |
| প্রশ্নের মুখে তরুণ জাতি | ৪২৩ |
| অকালে তুষ্টি | ৪৩১ |
| কিশোরীলাল সাহু | ৪৩৭ |
| সঙ্গীত-অভিধানের লক্ষ্মীরাম বরুয়া | ৪৪৪ |
| রায়বাহাদুর কালীপ্রসাদ চালিহা | ৪৪৫ |
| লক্ষ্মীরাম বরুয়া | ৪৪৬ |

# সম্পাদকৰ চৰা।

দুখৰ কথা যে মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱৰ তিৰোভাৱৰ তিথিৰ দিনা আসামত "গৱৰ্ণমেণ্ট হলিডে" অৰ্থাৎ চৰ্কাৰী অফিচ-কেছাৰী স্কুল আদি বন্ধ নহয়। সন্তোষৰ কথা যে দামোদৰদেৱৰ তিথিৰ দিনা কেনেবাকৈ "গৱৰ্ণমেণ্ট হলিডে" হৈছে। শঙ্কৰদেৱ মাধৱদেৱৰ তিথিৰ দিনাও আমাক এনে "গৱৰ্ণমেণ্ট হলিডে" লাগে, এই কথাটো গৱৰ্ণমেণ্টক আমাৰ সকলো স্থায়-নিষ্ঠ মুখিয়াল লোকে বুজাই দিয়া উচিত; আমি নিশ্চয়কৈ কব পাৰোঁ, গৱৰ্ণমেণ্টে বুজিব পাৰিলেই আমাৰ বাঞ্ছা সিদ্ধি কৰিব। আসামৰ সকলো ঠাইৰ মুখিয়াল লোকসকলে গোটখাই গৱৰ্ণমেণ্টক এই কথা জনাওক, তেওঁলোকৰ ওচৰত আমাৰ এই নিবেদন।

• • •

সিদিনা আমাক এজন বন্ধুৱে শুধিছিল, "এনেকুৱা কেনেকৈ হল, যে জগৎগুৰু শঙ্কৰদেৱৰ তিথিৰ দিনটো গৱৰ্ণমেণ্ট হলিডে হোৱাৰ বাহিৰত পৰি থাকি, তেওঁ পন্থা ধৰ্ম্মাচাৰ্য্য মহাপুৰুষ দামোদৰ দেৱৰ তিথিৰ দিনটো ভিতৰত সোমাল?" আমি বন্ধুক সন্তোষজনক উত্তৰ দিব নোৱাৰি চাল-থাৰ কোবোৱা উত্তৰ দিবলৈ যোৱা দেখি, তেওঁ নিজেই কলে যে "মই শুনিছোঁ, জনচেৰেক শঙ্কৰবিদ্বেষী ক্ষমতাশালী লোকে গৱৰ্ণমেণ্টক ভুল বুজাই দি এনে কাৰ্য্য কৰিলে।" এই কথা শুনি আমি কিন্তু অবাক হলোঁ। যদি এই কথা সঁচাহে তেন্তে মানুহৰ সঙ্কীৰ্ণতা আৰু গছৰ-আগত-উঠি-থাকি-গুৰি-কটা-বিদ্যাৰ দৌৰ ইমান হব পাৰে নাজানিছিলোঁ। আসামত বৈষ্ণৱ ধৰ্ম্মৰ আদিমূল মহাপুৰুষ শঙ্কৰদেৱকো ফটাকথাৰে ঢাকি বান্ধি লোকৰ চকুত ধূলি মাৰিবলৈ যোৱা বাহাদুৰ ডাঙৰীয়া আমাৰ অসমীয়াৰ ভিতৰতো আছে! সঁচাকৈ আমি এনে বাহাদুৰৰ ভু আগেয়ে নেপাইছিলোঁ, এতিয়া পাই ধন্য হলোঁ। শঙ্কৰদেৱকো এই বাহাদুৰসকলে মুচৰি-সানৰি থানৈত

সুমাবলৈ গৈছে নে? পাৰিব নে? তেওঁলোকে পাৰিব বুলি আশা কৰিছে নে? তেওঁলোকৰ ফাকতি ধৰা নপৰাকৈ সদায় থাকিব বুলি যদি তেওঁলোকে ভাবিছে, তেন্তে তেওঁলোক সঁচাকৈয়ে বাহাদুৰ আৰু তস্তোপৰি বায়। বাপু হে! কথাতে কবৰ নিচিনা, "যাৰ যহত শাক সেন্দুৰ, তাকে পাতিছা ভোকোন্দা এন্দুৰ"? পকা আওঠা ফুটছাইৰ তলত কিমান দিন ঢাকি ৰাখিবা হেঁ? ফু মাৰিলেই যে সি ওলাই পৰিব। চাতুৰী এদিন নহয় এদিন ধৰা পৰেই। পুতৌ তোমালোকক!

* * *

এতিয়া আমি ইয়াকে মাথোন কওঁ যে গোটেই আসামৰ মুখিয়াল ভদ্ৰলোকসকলে আমাৰ ন্যায়বান গৱৰ্ণমেণ্টক, আৰু বেলি নকৰি আচল কথাটো জনাই প্ৰাৰ্থনা কৰক যে দামোদৰদেৱৰ তিথিত গৱৰ্ণমেণ্টৰ ঘৰৰপৰা অফিচ কেছাৰি আদি বন্ধ দিবৰ নিয়ম হোৱাত আমি বৰ সন্তোষ পাইছোঁ, কিন্তু তেনেকৈ শঙ্কৰদেৱ মাধৱদেৱৰ তিথিতো বন্ধ দিবৰ নিয়ম হব লাগে। দামোদৰদেৱে নিজ মুখেই শঙ্কৰদেৱৰ আগত কৈ গৈছে—

"আমাক তোমাক ভিন্ন কৰে যিটো জন।
নৰকত থিতি হৈব, স্বৰূপ বচন॥"

আন যিবা কৰক নকৰক, বাহাদুৰসকলৰ অন্ততঃ মহাপুৰুষ দামোদৰ দেৱৰ নিচিনা গুৰুৰ বাক্যলৈকো ভয় আৰু সন্মান থকা উচিত।

* * *

হিন্দুধৰ্ম্মৰ স্বভাৱত আন আন ধৰ্ম্মতকৈ এটা বিশেষত্ব আছে, সেইটো এই যে সকলোৰে প্ৰতি সন্মান প্ৰদৰ্শন কৰা, আন কি বিৰুদ্ধ পন্থীয় ধৰ্ম্মৰ প্ৰতিও। বিশাল হিন্দুধৰ্ম্মৰ এই tolerant respectful spirit অৰ্থাৎ নিজৰ প্ৰতি বিপক্ষৰ বিৰোধীভাব সহ কৰি বৰং তাকো সন্মান কৰাটো হিন্দুধৰ্ম্মৰ আত্মজ সাত্বিক নিৰ্ব্বিকাৰ নিৰ্ব্বিবাদী বৈষ্ণৱধৰ্ম্ম মহাপুৰুষীয়া ধৰ্ম্মত এই ভাব যোল অনা বৰ্ত্তমান। তুমি বিড়াল জখলাইদি লাহে লাহে এখোপ দোখোপকৈ আহি ওপৰ পালাহি সেইডাল জখলা গুৰিয়াই পেলাই দিবলৈ মহাপুৰুষীয়া ধৰ্ম্মই তোমাক কস্মিনকালেও নকয়; সি তোমাৰ অপ্ৰয়োজনীয় হলে বৰং তাৰ প্ৰতি বিগত উপকাৰৰ বাবে সন্মান



প্ৰদৰ্শন কৰি, তাক আঁতৰাই থৈ দিবলৈ কয় মাথোন, যাতে সি তোমাৰ মলগা অৱস্থাত গলগ্ৰহ হৈ তোমাৰ সেই আচল কামত প্ৰতিবন্ধকতাচৰণ কৰিব নোৱাৰে। মহাপুৰুষীয়া ধৰ্ম্মত "কালাপাহাৰী" বা "পোৰাস্থঠানীয়া" ভাৱ কোনো কালে নাই; যি মহাপুৰুষীয়া ধৰ্ম্মক অৱলম্বন কৰিও তেনে ভাব ৰাখে তেওঁ মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰকৃত প্ৰাণৰপৰা বঞ্চিত। চৈতন্য পন্থী মথুৰাদাস আতাই তেওঁৰ সঙ্গীসকলেৰে সৈতে, চৈতন্যীয়া ধৰ্ম্ম পৰিত্যাগ কৰি মহাপুৰুষীয়া ধৰ্ম্মক ধৰিবৰ কামনা কৰি মাধৱদেৱৰ ওচৰলৈ আহিল। মাধৱদেৱে তেওঁলোকৰ অভিপ্ৰায় অৱগত হৈ তেওঁলোকক কলে "বাৰু, তেনেহলে তোমালোকে গাইপতি তোমালোকৰ চৈতন্যীয়া গুৰুৰ নামে মাটিত একোটা আঁক মাৰা।" তেওঁলোকে সেইদৰে কৰিলত, মাধৱদেৱে আকৌ তেওঁলোকক কলে "এতিয়া যদি আমাৰ ধৰ্ম্মক ধৰিব খুজিছা তেন্তে তোমালোকে সেই আঁক ভৰিৰ বুঢ়া আঙ্গুলিৰে মচি পেলোৱা।" বুঢ়া আতাৰ লগৰীয়া কেইজনে তেনে কৰিলে, কিন্তু বুঢ়া আতাই মাধৱদেৱক কলে "বাপ, মোক আঁকটি ভৰিৰ বুঢ়াআঙ্গুলিৰে নমছি হাতৰ বুঢ়াআঙ্গুলিৰে মছিবলৈ যেন আজ্ঞা দিয়ে। তেওঁতে প্ৰথমতে আশ্ৰয় কৰিছে এতিয়া আপোনাক মই গুৰু পালোঁ।" মহাপুৰুষীয়া ধৰ্ম্মৰ এই পৰীক্ষাত মথুৰাদাস আতা উঠিল; তেওঁক মাধৱদেৱে ৰাখি শৰণ দিলে, "ফেল" হোৱা লগৰীয়া কেইজনক নিদি পেদি দিলে।

* * *

হিন্দুৱে সকলো বস্তুকে পৰমেশ্বৰৰ অংশ বিবেচনা কৰি সন্মান কৰে। বৃক্ষ শিল তৃণতো হিন্দুৱে আত্মাৰ অস্তিত্ব অনুভৱ কৰে। বুঢ়া বা ৰুগীয়া বা দুখীয়া যোৱাক হিন্দুৱে আন ধৰ্ম্মাৱলম্বীৰ দৰে গুলি মাৰি নামাৰি খুৱাইবুৱাই যত্ন কৰি ৰাখে। হিন্দুধৰ্ম্মৰ মাথন মহাপুৰুষীয়া ধৰ্ম্মই কয়—

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানি জানি সবাহাকো কৰিবা প্ৰণাম॥"

আকৌ মহাপুৰুষীয়া ধৰ্ম্মই কয়, হেৰা মানুহ, তুমি হৰিক নভজি আত্মাঘাতী হলে ওপৰৰ খাপৰপৰা নামি অধোগতি পাই তৃণ, তৰু, শিল হবাগৈ, এতেকে হৰিক ভজা—

"মানৱী জনম পাই হৰি নভজিলা।
অৰণ্যে হৈবাহা ভাই তৃণ তৰু শিলা॥"

* * *

মহাপুৰুষৰ ধৰ্ম্মই বেদবিহিত কৰ্ম্মক অৱহেলা কৰিবলৈ বা লঙ্ঘিবলৈ কেতিয়াও নকয়। কাৰণ, সেইধৰ্ম্মই জানে যে সেইবোৰ কাৰ্য্য প্ৰথমতে Discipline-অৰ নিমিত্তে আৰু চিত্তশুদ্ধিৰ নিমিত্তে আৱশ্যক। কিন্তু পিছত যেতিয়া আৰু তাৰ আৱশ্যকতা নাথাকে, তেতিয়াও তাক উলঙ্ঘা কৰিব নাপায়। সেইদেখি ঘোষাই কয়, ভক্তই

"কৃষ্ণপদ মাত্ৰ সেৱা কৰে,
সমস্ত কামনা পৰিহৰে,
বেদব্যৱহাৰ কদাচিতো নলঙ্ঘয়।"

কিন্তু পিছতো অৰ্থাৎ ওথ অৱস্থাত অনাৱশ্যকীয় বেদবিহিত কৰ্ম্মকাণ্ডত ৰবকৈ লিপ্ত হৈ থাকিলে, সি আচল ভক্তিপথৰ মুক্তিপথৰ ব্যাঘাতজনক হয়। চিত্তশুদ্ধি বা Discipline-অতে সমস্ত শক্তি গোটেই জীৱন প্ৰয়োগ কৰি লাগি থাকিলে সি আচল বস্তু প্ৰাপ্তিৰ প্ৰতিবন্ধক হয়। ওবে দিনটো টৌটো বালি ছাই আদিৰে ঘঁহি চাফ কৰি কাল' কটাই থাকিবলৈ গলে, সেইটো চক্‌চকীয়া হব হয়, কিন্তু তাত আৰু ভাত বান্ধি খোৱা নহয়। চিপাহীক যাবজ্জীৱন "কাবাজ" কৰি থাকিবলৈকে শিকাই থাকিলে সি ভাল কাবাজ কৰোঁতা হে হব, আচল যুজত পৰি যুজত পকি উঠা যুজাৰু নহয়। চিৰকাল "কাবাজ" কৰি থকা নবাবৰ সৈন্যক, ৰবৰ্ট ক্লাইবৰ কেচা চিপাহীয়ে (যাক, যুজ কৰিবলৈ যাওঁতে বাটত হে মাথোন ক্লাইবে কাবাজ শিকাইছিল) যুজত হৰুৱাই জোল কৰিছিল। যাবজ্জীৱন ব্যাকৰণশাস্ত্ৰ ঘাটিঘূটি সন্ধি, শব্দ, পৰস্মৈপদ, আত্মনেপদ, দ্বৱ্‌ কৃ, ঘঞ কৰি থাকিলে সি কালিদাস মাঘ ভৱভূতিৰ কাব্যৰসৰপৰা আৰু জীৱন্ত সংস্কৃত সাহিত্যৰসৰপৰা বঞ্চিত হব। হৰিনাম লৈ কাল নকটাই তেনে কৰি থকা বৈয়াকৰণ পণ্ডিতক শ্লেষ কৰি সেইদেখি ঘোষাত লেখিছে—

"শঙ্কট বেলাত জানা মাধৱেসে বাপিবন্ত
নাবাখিব দ্বকৃঞ কৰণে॥"

* * *



আকৌ কওঁ যে মহাপুৰুষীয়া ধৰ্ম্মই শুৱিতে একেবাৰেই লেকাম পেলাই দিবলৈকো ব্যৱস্থা নিদিয়ে, আৰু "নাম-কটা চিপাহীবেও" নিজৰ দলৰ পৰিপুষ্টি কৰিবলৈ নিবিচাৰে। মহাপুৰুষীয়াই humbug-অক নিজৰ দলত ঠাই নিদিয়ে। সেইদেখি ঘোষাই কয়—

"হৰি নাম ধ্বজা কৰি বেদপথ পৰিহৰি
ফুৰে অতি পাষণ্ড সকল।
ইহ পৰলোক ভ্ৰষ্ট হইয়া পেট পুষি মাত্ৰ
ফুৰিবেক পৰম নিষ্ফল॥"

---

## বিশ্বৰ নিয়ম।

পুত্ৰাৰ পোহৰে সাৱটি ধৰিব
গোটেই জগতখনি,
বিলৰ পদুম বিলতে ফুলিব
খেন আপোনাৰ গণি,
পৃথিৱীৰ গতি অটুট থাকিব
অলপো নহব লৰ,
তৰাবো গতীন ফুওচিব গুণ
যদিও নেথাকে নৰ।
দিয়া নাই বল মানুহে অলপো
ধৰাধৰ নিজে বলী,
থাকে বা নেথাকে পৃথিৱীত জীৱ
পৃথিৱী থাকিব চলি,
চন্দ্ৰৰ পোহৰে আগবাঢ়ি আহি
চুমিব গছৰ আগ,
দেখা বা নেদেখা,—বাগলী বদেৰে
পৰ্ব্বতে পিন্ধিব পাগ।
বিশ্বৰ সৌন্দৰ্য্য সদাই থাকিব—
তুমিহে কেনিবা যাবা,
বিশ্বৰ নিয়ম আছে একে দৰে,
ভাঙ্গিলেই গম পাবা।
তুমি নেথাকিলে প্ৰকৃতী দেবীৰ
একোকে নহ'ব হানি,
তুমিহে নেলাগে নেথাকে যদিও
এটিও ধৰাত প্ৰাণী।

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা।

# সন্তৰাম।

( বৰবৰুৱা বৰ-চৰাত তলৈ মুৰকৈ বহি )

( বাপুৰাম বৰাৰ প্ৰবেশ। )

বাপুৰাম। আজি দেখোন শেনৰ একজাত, বৰবৰুৱা ডাঙৰীয়াই আমন-জিমনকৈ কিবা ভাবি আছে ?

বৰবৰুৱা। ( মুৰ দাঙি ) অ বৰা! আহাঁ বহাঁ। তুমি আহিলা ভালেই হল ; তোমালৈ সঙুলি ওলাইছে। আজি মোৰ জীৱনৰ কথা এটা হঠাৎ মনত পৰি মনটো কিবা দেৱা লাগি আছে। সেইটোকে আজি তোমাক কওঁ, মোৰ চৰিত্ৰৰ পুথিৰ ভিতৰত গোমাই যদি তাকো সুমাই দিবা।

বাপুৰাম। ভাল, ভাল; সোনাৰ মুখত মাখি পৰে সিও লাভৰ ভিতৰতহে। কওক ; আপোনাৰ মুখৰপৰা যি ওলায় সিয়েই মধুৰ, সিয়েই আমাৰ কামত লাগিব।

বৰবৰুৱা। আজিৰ যি ওলাব সি কটুৰ, বৰ কটুৰ হব, মধুৰ হবৰ কোনো আগন্তুক নাই। শুনা,—আজি কেই বছৰ হল মনত নাই, কিন্তু ভালেমান বছৰ যে হল এইটো ঠিক। এদিন এখন চিঠি পালোঁ। ডাকত। চিঠিখন লৰালৰিকৈ নেমেলি চোঙাৰ চকুৰে চাই লাহেধীৰে হে মেলিলোঁ। মেলি চাই দেখিলোঁ, চহিটোৰ ঠাইত লেখা আছে "শ্ৰীসন্তৰাম বৰুৱা।" কোন সন্তৰাম বৰুৱা ? ধাৰৰ কৰিব নোৱাৰি ভাবি আছোঁ, কিন্তু নেপাওঁ। পুৰণি সুমৰণক শুধিলোঁ, তেওঁ কিবা কব পাৰে নে ? তেওঁ মুৰ জোকাৰিলে, একো নোৱাৰে। ভাবিলোঁ, চিঠিখনৰ গাৰিভোখৰকে পঢ়ি নেচাওঁ কিয় ? চোৱা যাওক চোন তাত নো কি লেখিছে। ইয়াকে ভাবি চিঠিখন পঢ়িলোঁ। চিঠিখন চুটি। লেখিছে—

"প্ৰিয় বৰবৰুৱা,

মোৰ চিঠি পাই নিশ্চয় আপুনি আচৰিত মানিব। কাৰণ, মই নো কোন, আপোনাৰ কিজানি মনতে নপৰে। মই তাহানি আপোনাৰে সৈতে ৰংপুৰৰ ইংৰাজী স্কুলত একে লগে পঢ়া সন্তৰাম। আপুনি আসাম



এৰি কলিকতালৈ আহিল। মই জীৱনৰ নানা পৰিবৰ্ত্তনৰ ভিতৰেদি বাট বুলি আসামতে থাকিলোঁ। কালত, আপোনাৰ আৰু মোৰ মাজত ডেৰ নোৱাৰা আৰ-পৰ্ব্বত উঠিল। কিন্তু তথাপি মোৰ মনৰ এচুকৰপৰা আপোনাৰ স্মৃতি এদিনলৈকে মছ খোৱা নাই। সম্প্ৰতি মই কলিকতালৈ আহি ইয়াতে আছোঁ। মোৰ ঠিকনা ১৩ নং অখিল মিস্ত্ৰিৰ লেন। মুঠতে কওঁ এই পৃথিৱীত আপোনাৰ বাহিৰে বন্ধু বুলিবলৈ মোৰ কোনো নাছিল, আৰু নাইও, আপুনি সেই কথা এতিয়া অৱস্থাৰ আৱৰ্ত্তত পৰি পাহৰিব বা নামানিব পাৰে, কিন্তু সঁচা। যি হওক, মোৰ ওচৰলৈ আপুনি এবাৰ আহিব। আপোনাক দেখিলে দুখৰ কালত অলপ শান্তি পাম বুলি মোৰ দৃঢ় বিশ্বাস। ইতি

আপোনাৰ

শ্ৰীসন্তৰাম বৰুৱা।"

চিঠিখন পঢ়ি লাহে লাহে মোৰ মনত পৰি আহিল, সন্তৰাম বৰুৱা কোন। সন্তৰাম মোৰ লৰা কালৰ ধেমালিৰ বন্ধু আছিল হয়। কিন্তু সি ইমান বছৰৰ আগেয়ে যে মই সেই কথা পাহৰিয়েই গৈছিলোঁ। নিশ্চয় তেতিয়া সন্তৰামক মই বৰ ভাল পাইছিলোঁ, আৰু নিশ্চয় সন্তৰামেও মোক বৰ ভাল পাইছিল। ডাঙৰ হৈ ইমান দিন আঁতৰি থাকি অৱস্থাৰ পৰিবৰ্ত্তনত সন্তৰামৰ মূৰ্ত্তিটো মোৰ মনৰ পটৰপৰা এক প্ৰকাৰ উভি গৈছিল এই মাথোন কথা। যি হওক, চিঠিখন পাই মনতে থিৰ কৰিলোঁ, যে মই সন্তৰামক চাবলৈ যাম। এই সঙ্কল্পৰ গুৰিত সন্তৰামেৰে সৈতে লৰাকলীয়া পুৰণি বন্ধুত্ব জগোৱাতকৈ মানুহটোৰ কথাটো কি, ঘটনাটো কি, এই কথাৰ কৌতূহল চৰিতাৰ্থ কৰাটোৱেই থাই।

আবেলি ৫ বাজিলত হাতত চাহগছৰ লাখুটি এডাল লৈ অখিল মিস্ত্ৰিৰ গলিৰ ফালে খোজ ললোঁ। চাহগছৰ লাখুটিডালত মোৰ স্পৃহা বেছি, কাৰণ সি আসামৰ, সেইদেখি মই তাৰ লগ নেৰোঁ আৰু সিও মোৰ লগ নেৰে। অখিল মিস্ত্ৰিৰ গলি মই থকা ঠাইৰপৰা প্ৰায় এমাইলমান দূৰত। কিছুমান বেলিৰ মূৰত মই অখিল মিস্ত্ৰিৰ গলিত ১৩ নম্বৰৰ ঘৰ বিচাৰি চাই ফুৰি, এটা দুতলা ঘৰত ১৩ নম্বৰটোৰ ওপৰত মোৰ চকু পৰিল। ঘৰটো

ইমান পুৰণি যে পুৰণি বস্তুটো যদি ৰবৰকৰাৰ নিচিনা অনেক ভাবৰ অনেক কথাৰ মানুহ হলহেঁতেন, সি নিজেও তাৰ কামৰলৈ আহিবলৈ আপত্তি কৰিলে হেঁতেন। যি হওক এইটো দেখা গল যে ১৩ নম্বৰটো মৰিমুজিহে কোনো মতে তাত লাগি আছে ; কাৰণ তাৰ আৰু ঘৰৰ বাৰৰ ইটাৰ মাজৰ plaster অৰ্থাৎ কৰালৰ চাৰি ভাগৰ তিনি ভাগ বিদ্ৰোহী হৈ এটি এটিকৈ সৰি পৰিল, বাকী থকা এভাগৰো মন আৰু মতলব ভাল যেন নেদেখি ; কাৰণ, আগৰ বিদ্ৰোহীবোৰৰ বেয়া আহিৰ খোচৰা ব্যধিয়ে সিহঁতকো ধৰিছে, আৰু সিহঁতো তাত আৰু সেই দৰে কামোৰ মাৰি ধৰি থাকিবলৈ নাৰাজ। নম্বৰটোৰ পাতখনৰো আয়ু নুটুটি থকা নাই, কাৰণ সিও একালৰ মামৰেৰে সৈতে সখিত্ব কৰি একে প্ৰাণ হৈ পচি থুৰ্‌থুৰীয়া হৈ আছিছে। যি হওক থহনীয়া ৰোগত পৰা সেই নম্বৰটোত চকু পৰি তাৰ এনে অৱস্থা দেখি মোৰ শাস্ত্ৰৰ কথালৈ মনত নপৰি নাথাকিল ; কাৰণ শাস্ত্ৰ এৰি মই এখোজো অনিত্য সংসাৰত নচলোঁ। ইয়াকে মনত পৰিল যে—

"অসাশ্বত ধন জন্ম সবে বিষ্ণু মায়া।
আকাশতে প্ৰকাশে মেঘৰ যেন ছায়া॥"

অসাশ্বত ধন জন পুত্ৰ পৰিবাৰত কামোৰ মাৰি ধৰি থাকিলে, সেই দৰে ধৰি থাকোঁতাজনৰো যে লাহে লাহে এনে গতি হয় ( যদিও তেওঁ শেষ মুহূৰ্ত্তলৈকে সেই কথাৰ গম ধৰিব নোৱাৰে ) এই কথা মোৰ মনত ৰবকৈ খেলালে। খন্তেকৰ পিছতে এনে আন এটা কিবা ভাবৰে এডোখৰ ওলাই সি মোক, ৰামপ্ৰসাদী সুৰত বন্ধা বঙ্গলা গান এটা মনত পেলাই দিলে। বাকী থকা plaster কৰাল সোপাৰ ফালে চাই সুৰ ধৰি মই গুণ্‌গুণাই গালোঁ—

"আমি শুধু ৰইনু বাকী !
* * *
আমাৰ বলে ছিল যাৰা,
কোথায় তাৰা, দেয়না সাৰা,
কোথায় তাৰা, কোথায় তাৰা,
কোথায় তাৰা বলে ডাকি !"



ইয়াৰ পিছত মই ঘৰটোৰ দুৱাৰমুখ পাই দুৱাৰত খট্‌খটাই সঁহাৰি দিবলৈ ধৰিলোঁ যাতে কোনোবা ওলাই আহি দুৱাৰ মেলি দি মোক ভিতৰলৈ লৈ যায়। কিন্তু কত খট্‌খটালোঁ, জন-প্ৰাণীৰ অসঞ্চাৰ, কোনেও সমিধান নিদিয়ে। মই ভাবিলোঁ, এইটো ঘৰত কোনো নাই, মই ভুলকৈহে ইয়ালৈ আহিছোঁ। মোৰ ভুলেই হৈছে নে কি তাকে ঠিক কৰিবৰ নিমিত্তে আকৌ নম্বৰটোৰ ফালে চাই দেখিলোঁ সি নিভুঁল, ১৩ স্বয়ং বৰ্ত্তমান। ঠিক এনেতে ভিতৰৰপৰা মানুহ এটাই আহি দুৱাৰখন মেলি দিলে। মানুহটোৰ গঢ় গতি দেখিয়েই মোৰ বোধগম্য হল যে সি লগুৱা আৰু অসমীয়া লগুৱা। এই ভৱসংসাৰত মই এৰা-পৰা আৰু কোনো-নাইকিয়া ৰ-চেৰা যেন কি এটা অদ্ভুত ভাব মোৰ মনলৈ এই খিনি সময়ত আহিছিল সি সেই তত্তালিকে মোৰ মনলৈ সাহ আহিল, মই তাক অসমীয়াতে শুধিলোঁ, "এইটো ঘৰত সন্তৰাম বৰুৱা আছে নে ?" সি মোৰ মুখলৈ চাই অসমীয়াতে উত্তৰ দিলে "ডাঙৰীয়া, ইয়াত আমাৰ হাকিম থাকে। আপুনি নো কৰপৰা আহিছে ?" মই বুজিলোঁ যে সন্তৰাম বৰুৱাই হাকিম, যদিও তেওঁৰ সেইখন বিষয়ৰ কথা মই তেতিয়ালৈকে ভু নেপাইছিলোঁ। মই তাক কলোঁ, "তই যা, তোৰ হাকিমক ক গৈ যে ৰূপাৰৰ ৰবৰুৱা আহিছে।" মোৰ নাম শুনিয়েই লগুৱাটোৱে, কিয় কব নোৱাৰোঁ, মোৰ মুখলৈ চাই দাঁত উলিয়াই এনে ভাৱে হাঁহিলে যে মই দেখি অবাক ! তাৰ হাঁহিত মই বাস্তৱিকতে নিজক অপমানিত বোধ কৰিছিলোঁ, আৰু মোৰ খঙো যে বুজনকৈয়ে উঠিছিল এনে নহয়। যি হওক, মোৰ সেই মনৰ ভাব লুকাই থৈ তাক শুধিলোঁ—"তই হাঁহিছ কিয় হেৰ ?" সি অসমীয়া গঢ়েৰে হাত যোৰ কৰি নম্ৰভাৱে মোক কলে "দেউতা, যন্দীক খং নকৰিব। দেউতাৰ নাম বন্দীয়ে আগেয়ে সদায় শুনিছিলোঁ। অকন্দই কাকতত দেউতাই সদায় হাঁহি-উঠা কথা লেখে ; আমাৰ গাৱঁত লৰা ডেকা বুঢ়া সকলোৱে সেই কাকত পঢ়ি বাগৰি বাগৰি হাঁহে। দেউতাক দেখি সেইজনেই এইজন বুলি জানিহে মোৰ খামাখা হাঁহিটো উঠিছিল। বন্দী লৰামতি ; দোষ মৰিষণ কৰক।" মই তাৰ অৱস্থাটো বুজিলোঁ, আৰু বুজিলোঁ যে কাকতত ৰবৰুৱা হোৱাৰ শাস্তি এনেটোৱেই ; গতিকে আৰু একো নকৈ, শুধিলোঁ "তোৰ হাকিম কত আছে ? মোক লৈ বল "

সি খুৰে কপালে হাত দি বেজাৰৰ ভাবেৰে কলে "দেউতা, আমাৰ হাকিমৰ নো আৰু কি কথা শোধে; মানুহজনক কিবা শুকনি-ৰোগে পাইছে, হবা লাগিছে, শুকাই গৈ আছে! দেউতা, আপোনাসকলে মানক নামানক, মই হলে মোৰ এই ভেকুৰা মুখেৰেই কওঁ,—কোনবা জলুবাই খলুবাই ডাঙৰীয়াৰ চকু তেখেতৰ ওপৰত পৰিছে। আহক ওপৰলৈ।" এই বুলি সি মোক ওপৰলৈ লৈ গৈ, শোৱাপাটীত দীঘল দি পৰি থকা, শুকাই খেৰসনি যেন হোৱা ভদ্ৰলোক এজনৰ ওচৰত উলিয়াই দিলেগৈ। সঁচা কথা কবলৈ গলে, মই সেই লোকজনক সমুলি চিনি নেপালোঁ আৰু আগেয়েও তেওঁক দেখা যেন মোৰ মনত নপৰিল। যি হওক, মোৰ সেই আচহৱা ভাব লুকাই থৈ মই তেওঁৰ ওচৰতে বহি মাত লগালোঁ,—

"বৰুৱাদেও, কেনে আছে? এতিয়া অলপ গা বাৰু পাইছে নে?"

সন্তৰামে মোক দেখি লাহেকৈ উঠি শোৱাপাটীতে বহি মুখৰ ভাবেৰে আৰু কথাৰে মোৰ প্ৰতি অশেষ কৃতজ্ঞতা প্ৰকাশ কৰি কলে "বৰবৰুৱা ডাঙৰীয়া নে? উস্ মোৰ আজি পৰম ভাগ্য, মোৰ একেজন মাথোন বন্ধুক, আৰু লৰাকালৰ বন্ধুক দেখা পালোঁ। এতিয়া আৰু মই মৃত্যুলৈ ভয় নকৰোঁ। মোৰ আশা মিটিল, মৃত্যুক মই সুখেৰে আলিঙ্গন কৰিম। বৰবৰুৱাদেও, আপোনাৰ বিশেষ পৰিবৰ্ত্তন হোৱা নাই; মাথোন আপুনি অলপ থূলত্তৰ হৈছে। মোৰ কিন্তু কত পৰিবৰ্ত্তন, কত সলনি তাৰ লেখ নাই। নানা কষ্টত পৰিলে মানুহৰ যি হয় সেয়ে মোৰ হৈছে।"

ইত্যাদি ৰকমে নানা কথাবাৰ্ত্তা সন্তৰাম বৰুৱাৰে সৈতে মোৰ হল। তেওঁৰে সৈতে আলাপ কৰাৰ পিছত আৰু মোৰ মনত সন্দেহ নথাকিল যে তেওঁ মোৰ সেই পুৰণি লৰাকলীয়া বন্ধু সন্তৰামেই হয়। কিন্তু মই তেওঁৰ এটা কথা মন কৰিলোঁ যে, মোৰে সৈতে কথা পাতি থকাৰ ভিতৰতে তেওঁ একোএকোবাৰ চমক খাই উঠে, আৰু ওচৰৰে এটা খোটালিৰ মেল খাই থকা দুৱাৰখনৰ ফালে কিবা আচৰিত ৰকমে একে থৰে চাই থাকে, আৰু মুখৰ বৰণ সলায়! মই এনে দেখি তেওঁক কলোঁ যে তেওঁ কলিকতালৈ আহিছে ভালেই হৈছে, এজন ভাল ডাক্তৰৰ হতুৱাই চিকিৎসা কৰালেই তেওঁৰ নৰীয়া শীঘ্ৰে ভাল হৈ যাব। [illegible] এজন ভাল ডাক্তৰৰ নামো তেওঁক কলোঁ। কিন্তু মোৰ কথা শুনি তেওঁ এনে এটা বিকট হাঁহি মাৰিলে যে সঁচাকৈয়ে মোৰ বুকুখন কঁপি গল, আৰু কেনেবা অজপ অসুখ যেন লাগিল। ভাবিলোঁ, কি কথা! মানুহটোক সঁচাকৈয়ে ভূতে পাইছে নে কি? সেই লগুৱাটোৰ কথা সঁচা হবলা। মই এইদৰে মনতে গুণি টিতক মাৰি থাকোঁতেই তেওঁ মাত লগালে —"বৰবৰুৱা ডাঙৰীয়া, আপুনি যি ভাবিছে সি নহয়। মোক ভূতে পোৱা নাই; আৰু ভূতৰ উপদ্ৰৱতো মই এনে হোৱা নাই! মোৰ আচল নৰীয়াৰ কথা কোনেও নুবুজে। সকলোৱে মোক ভূতে পোৱাকে থিৰাং কৰি থৈছে; সেইদেখিহে মই আসাম এৰি কলিকতালৈ আহিছোঁ। মই নিশ্চয় জানো যে অন্ততঃ মই এনে এজন মোৰ বন্ধু কলিকতাত পাম যাৰ আগত মই মোৰ মনৰ আচল ৰোগৰ অৱস্থা উবুৰিয়াই দিলে তেওঁ বুজিব পাৰিব, আৰু মোক বলিয়া বা ভূতে পোৱা বুলি সিদ্ধান্ত নকৰে। এতিয়া সেইদেখি মই আপোনাৰ আগত মোৰ দুৰ্দ্দশাৰ ইতিহাস অলপ কওঁ বুলিছোঁ, আমনি নেপাই মোক অনুমতি দিলেই কব পাৰোঁ।" মই আন্তৰিকতৈ কলোঁ "কওক, কওক, মই ভালকৈ শুনিম।" তেওঁৰ লগুৱাটো মোৰ পিছতে থিয় হৈ আছিল; তেওঁ তালৈ চাই কলে "হেৰ, ইয়াৰপৰা যা, বৰবৰুৱা ডাঙৰীয়ালৈ পাৰ যদি এবাটী চাহপানীকে কৰি আন।" এই হুকুম শুনি লগুৱাটো আঁতৰিল; আৰু সন্তৰামে কবলৈ আৰম্ভ কৰিলে।—"আপুনি আসাম এৰি অহাৰ এবছৰৰ পিছতে মোৰ বিয়া হল; অৱশ্যে পাঠ্যাৱস্থাতে। বিয়াখন যাদৱৰাম ফুকনৰ (বেচেৰা দুৰ্ভগীয়া! পূৰ্ব্বজন্মৰ পাপৰ ফলত ছোৱালীৰ বাপেক হৈছিলহি।) জীয়েকৰে সৈতে। যাদৱৰাম ফুকনক আপুনি জানে। ফুকনৰ জীয়েক দহ বছৰত ভৰি দি বিবাহযোগ্যা হৈ উঠিল, আৰু ফুকন সপৰিবাৰে আৰু সবন্ধুবান্ধৱে ব্যস্ত হৈ উঠিল, ছোৱালীৰ বিয়া দিব লগে। অহা মাঘত ছোৱালী বিয়া নিদিলে আৰু ফুকন পৰিয়ালৰ জাত নাথাকে, এই সিদ্ধান্ত হল; কাৰণ বিয়াৰ আগেয়ে যদি ছোৱালীৰ কন্যাকাল হয়, তেন্তে মনুৰে ব্যৱস্থাৰ নামত ছোৱালীৰ বাপেকহঁতক গালি পৰা সেই জঘন্য চোলোথ আহাৰ তেওঁক বাহিৰে কটিয়াই দিব। ফুকনে এনে বিপদ সমুখত দেখিলে আৰু তেওঁৰ চকুৰপৰা টোপনি পলাল। অগত্যা তেওঁ মৰ-জাহ দি মোৰ ওপৰত পৰিলহি। মোৰ আই বোপাই বাই ভাই

সকলো বেচেৰা ফুকনৰ বিপদ সন্নিকট দেখি তেওঁক উদ্ধাৰ কৰিবলৈ সাজু হল। মোৰ ওপৰত ঘৰেঘৰোৱাহৰ চেপা পৰিল। মোৰ তেতিয়া যদিও বিয়াৰ সাজোৰ লবৰ সমূলী ইচ্ছা নাছিল, তথাপি সেই চেপাত মই জোল টৈ টৈ ফুকনৰ জীয়েকক বিয়া কৰাবলৈ সম্মত হলোঁ। তাৰ পিছত বিয়া হল; তাৰ পিছত শান্তিবিয়া হল; আৰু তাৰ পিছত মই ৰীতিমতে গৃহস্থী হলোঁ। বকৰাৰ পো সন্তৰাম আৰু ফুকনৰ জী বিজুলী (সেইটোৱেই মোৰ ঘৈণীৰ নাম)! যিহওক মনুৰ ব্যৱস্থা ৰক্ষা পৰিল আৰু মনুৰ পালিবাৰও ফুকনৰ পদুলিত নৰৈ বাজ আলিয়ে আলিয়ে গুচি গল।

কিন্তু এতিয়াহে পৰিলোঁহি ভাবনাৰ আচল মাজত। বিয়াৰ বৰ-ধেমালিৰ ওৰ পৰিল, সূত্ৰধাৰীৰ সূত্ৰ আৰু নতুৱাৰ নাচো ঢুকাল। এতিয়া এঘাৰ বছৰ পাৰ হৈ বাৰ বছৰত ভৰি দিয়া মোৰ ঘৈণী, আৰু বাইশ বছৰীয়া মই স্বামী, আৰু বিয়াল্লিশ বছৰীয়া শাহু, ননন্দ দেওৰ আদি এই ডোখৰৰ ভাৱৰীয়া। বোৱাৰৰী শাহুৰী খটা পাল। আদহীয়া শাহুৰ শাসনতন্ত্ৰ, আৰু কুমলীয়া ছোৱালী বোৱাৰীৰ ভুল, ভ্ৰান্তি, অবিবেচনা, দুখ, শোক, আৰু কান্দোন এই ছোৱাৰ ভাও। অৱশ্যে আমাৰ দেশৰ কথাত কয় "মাছে গৰকা পাচলি খাবা, শাহুৱে গৰকা বোৱাৰী বাবা"; কিন্তু গৰকনিৰ জোৰ সৰহ হলে যে পাচলি পাচলি গুচি ফাচলি হয় আৰু বোৱাৰী তৎমত এবি শেহত হতাশ হৈ গোঁৱাৰী হয় সেইটো মোৰ আয়ে নাজানিছিল; জানিলেও সি পুৰণি প্ৰথাৰ হেচাত পৰি মৰিছিল। আয়ে যেনেকৈ শাহুৱেকৰ তলত বোৱাৰী খাটিছিল, এই বোৱাৰীয়েককো তেনে ধাৰাতে পেলাচ বোৱাৰী নখটালে পূৰ্ব্বাপৰ প্ৰচলিত আইনৰ অমৰ্য্যাদা হয়, গতিকে সেই আইনৰ সম্মান ৰক্ষা কৰাটো প্ৰথম কৰ্ত্তব্য। আগৰ আইৰ দিন আৰু এতিয়াৰ বোৱাৰীৰ দিনৰ মাজত যে অনেক বালি অনেক সুতি পৰিছিল সেইটো আইৰ দৃষ্টিৰ ভিতৰত সমূলী নাছিল।

ফুকনৰ জীয়ৰী ফুকনৰ ঘৰত কিছুদূৰ আজিকালিৰ নৱা শিক্ষা আৰু নৱা দীক্ষা পাই উঠিছিল। এই "কিছুদূৰটো" এনেকুৱা কিছু মাৰাত্মক দূৰ নহয় যে সি কেতিয়াও লগ লাগিব নোৱাৰা পূব আৰু পশ্চিম। মুঠতে ফুকনৰ ঘৰত বিজুলীৰ বাৰ বছৰীয়া জীৱন-গাথীৰত এপোৱা হে ন শিক্ষাৰ পানী



মিহলি খাইছিল, বেছি নহয়। তথাপি মোৰ আইৰ মানত সেই গাখীৰ কুৰুচি হৈছিল। ফুকন ফুকননীৰ আদৰত এই আদৰ-মালতী ছোৱালীটি বাঢ়িছিল। আইৰ মনত চিৰস্থায়ী ধাৰণা যে মাক আৰু শাহুৱেক এই দুটা বেলেগ বস্তু, সেইদেখি তেওঁৰ মানত বোৱাৰী অনা মানে বান্দী অনা। আয়ে অচিৰতে দেখিবলৈ পালে যে তেওঁৰ বোৱাৰী তেওঁৰ জোখৰ কাঠৈডালতকৈ ভালেমান কম। দুৱা বেচ দি কম জোখৰ বস্তু পালে যেনেকৈ দোকানীৰ ওপৰত কিনো-তাৰ খং উঠে, আইৰো সেই দৰে ফুকনৰ ঘৰৰ ওপৰত খং উঠিল। আয়ে ভাবিলে যে তেওঁ বৰং দুৱাতকৈও বেছিহে বেচ দি (অৰ্থাৎ তেওঁৰ লৰা) ছোৱালী কিনিছে, এনে স্থলত তেনে ছোৱালী জোখত ইমানকৈ কম হয় কিয়? "ফুকন ফুকননীৰ তো কম আস্পৰ্দ্ধা নহয়! ঠগ! জুৱাচোৰ! কটা ছোট লোক! মোৰ ভৰিৰ তলুৱা চেলেকি ছোৱালী দিলে, এতিয়া ইমান কেৰামৎ!" চমুকৈ কওঁ যে কথায় কথায় আয়ে বোৱাৰীয়েকক তাইৰ সাতপুৰুষ উকটি গালি নাপাৰিলে তেওঁৰ সুখ নলগা হল। বোৱাৰীয়েকৰ বাপেক মাকৰ মুখত যি দিনা তেওঁ গালিৰ "তপত পিঁড়" নিদিব, সেই দিনটো তেওঁৰ দ্বধাতে যোৱা যেন লাগে। আদৰত উঠা আৰু ঘৰত কান্দি ভাত খোৱা ছোৱালী এজনীৰ এনে শাহুৰ তলত পৰি কেনে মনৰ অৱস্থা হৈছিল তাক ৰবৰক্সাদেও আপুনি অনুমান কৰি লওক, মই আৰু সৰহ নকওঁ। মই অৱস্থাটো শোচনীয় হৈ পৰা দেখি তাইক– বেচাৰী বিজুলীক ৰক্ষা কৰিবলৈ প্ৰথমতে অলপ-অচৰপ কাৰবাৰ কৰিছিলোঁ, কিন্তু তাৰ ফল আৰু বিষময় হল। আয়ে ভাবিলে যে শাঁখিনী বোৱাৰীয়েকে পুতেককো মাকৰপৰা কাঢ়িলে। এনে ভাৱ মনত লৈ তেওঁ বলিয়াৰ নিচিনা হৈ বোৱাৰীয়েকৰ ওপৰত নিষ্ঠুৰতাৰ জোখ আৰু বঢ়াই দিলে। আচৰিত কথা যে ঘৰৰ আন মানুহ আৰু ওচৰচুবুৰীয়া সকলোৱে সহানুভূতি আইৰ ফালেহে। মই নিৰুপায় হলোঁ। ঘৰত অশান্তিৰ জোখ কমাবলৈ, আৰু মাকৰ অবাধ্য আৰু তিৰুতাসেৰুৱা বদনামৰ হাত সাৰিবৰ নিমিত্তে মই শেহত অগত্যা বুদ্ধৰূপ ধৰি একো নমতা হলোঁ। এই খিনিতে মোৰ ভয়ানক ভুল হল। মুঠতে, এনে ঘটনাচক্ৰত পৰি বাৰটা বসন্তৰ ফুলটী দিনে দিনে জয় পৰি যাবলৈ ধৰিলে। শান্তিবিয়া কৰাই অনা দিনৰেপৰা বাপেকৰ ঘৰলৈ যে আয়ে তাইক

যাবলৈ নিদিয়া হলেই, বিহুতো তাইৰ বাপেক মাকে বিজুলীয়েকক কাবৌ কৰি জীয়েকক নিজৰ ঘৰলৈ নিবৰ হুকুম লাভ কৰিব নোৱাৰিলে। আচৰিত কথা যে এনে অৱস্থাতে বিজুলীয়ে তিনি বছৰ মোৰে সৈতে গৃহবাস কৰিছিল! সোণৰ প্ৰতিমাটি শেহত কলা পৰি গল, শুকাই জকা ওলাল! তথাপি আমাৰ ঘৰৰ কোনেও তাইৰ "দৰদ" নুবুজিলে! তাইৰ দুখ নপতিয়ালে! আৰু মইতো কাপুৰুষেই। ববৰুৱা দেও, পৰে পৰৰ "দৰদ" এই পৃথিবীত কোনোবাকাচিৎ হে বুজে। বাপেক মাকে থাকিব নোৱাৰি সহিব নোৱাৰি কিছু কাললৈকে যদিও জীয়েকৰ বুক বান্ধ লৈ আছিল, কিন্তু শেহত তেওঁলোকৰ অপমানৰ ধৰাহিটোত বোজা ইমান বেছি হলগৈ যে তাৰ আৰু তেওঁলোকে মুৰত লৈ থাকিব নোৱাৰা হল। ফলত, তেওঁলোকে জীয়েকৰ ফালে পানী এচলু দিলে।

ববৰুৱা দেও, কবলৈ হিয়া ভাগি যায়,—এদিন মোৰ বিজুলী নাইকিয়া হল! এই নিষ্ঠুৰ নিৰ্ম্মম পৃথিবী এৰি মোৰ বিজুলী জগৎজননীৰ স্নেহময় শান্তিময় কোলালৈ গুচি গল! হায়!

বিজুলী, তই কেনে স্বামী পাইছিলি! এনে কাপুৰুষ স্বামী পাবি বুলি তই কেতিয়াবা সমাজিকতো ভাবিছিলি নে?

যাওক, আৰু সেই শোকৰ কাহিনী কৈ কি লাভ? আজি তিনি বছৰ হল মোৰ বিজুলী এই নিষ্ঠুৰ সংসাৰত নাই। কিন্তু মোৰ হৃদয়ৰপৰা মোৰ ওচৰৰপৰা যাব কেনেকৈ? দুইৰো প্ৰাণে প্ৰাণে যে গোথা—সৌ চাওক তেওঁ কেনেকৈ কৰুণাৰ চকুৰে মোলৈ চাই আছে!

সন্তৰামে এই বুলি নিস্তব্ধ হৈ সেই খোটালিটোৰ ফালে একেথৰে চাবলৈ ধৰিলে। তেওঁৰ মুখ শেতা হৈ পৰিল। মোৰ ভয় হল, কিজানি তেওঁৰ মূৰ্চ্ছা (fit) হব এতিয়া। লৰালৰিকৈ মই তেওঁৰ মুৰত বিচনীৰে বিচি বা দিবলৈ ধৰিলোঁ। তেওঁক মাতিলোঁ—"সন্তৰাম বৰুৱা! সন্তৰাম বৰুৱা!" তেওঁৰপৰা কোনো উত্তৰ পোৱাৰ আগেয়ে সেই ওচৰৰ খোটালিৰপৰা মিহি সুৰেৰে কৰুণা মিহলি এটি মাত আহি মোৰ কাণত পৰিল—"প্ৰাণপ্ৰিয়, আহক, মই বাটচাই আছোঁ।" মোৰ গাটো চমচমাই গল মই লৰালৰিকৈ লগুৱাটোক মাতিলোঁ। সি লৰি আহিল তাক মই



সুধিলোঁ। "সেই খোটালিত কোন আছে?" সি উত্তৰ দিলে "কোনো নাই। খোটোলিটো এনেই হে পৰি আছে।" মই তাক কলোঁ "কোনবা আছে। খাক বলচোন চাওঁ, কোন আছে।" এই বুলি মই তাৰে সৈতে খোটালিটোৰ ভিতৰলৈ সোমাই গলোঁ, কিন্তু কাকো নেদেখিলেঁ। মাত্ৰ এচাটি চেঁচা বতাহ মোৰ গাত লাগি গল যেন লাগিল। ঘৰৰ চুকত কিজানি কোনবা আছে, ভাবি, মোৰ জেপৰপৰা জ্বিয়াচলিৰ কাঠি এটা জ্বলাই চালোঁ, কোনো নাই। এনেতে ইটো খোটালিৰপৰা সন্তৰাম বৰুৱাই মাত লগালে "বৰুৱাদেও গুচি আহক, গুচি আহক, আপুনি তাত একো নেদেখে। মোৰ একো হোৱা নাই, অলপমান মূৰটো ফুৰাইছিল, এতিয়া ভাল হলোঁ।" মই উভতি আহি বৰুৱাৰ ওচৰত আকৌ বহিলোঁ। তেওঁৰে সৈতে কিছুমান বেলি আন কথা পাতি, তেওঁৰ নবীয়া চোৱাবলৈ এজন ভাল ডাক্তৰ আনিব লাগে বুলি কৈ, আকৌ কাইলৈ আহিম বুলি বিদায় ললোঁ। ৰাতি ঘৰলৈ আহিও মোৰ মনটো ভাল লগা নাছিল,—সন্তৰামৰ কথাই, মনৰপৰা কিবা এটা ভয়ে, কিবা এটা বুজিব নোৱাৰা শঙ্কাৰ ভাবে মোৰ মনটো ছাতি পেলাই তাত এনে অশান্তি ঘটাইছিল যে ৰাতি মোৰ অলপো টোপনি অহা নাছিল। পিছ দিনা পুৱাই সন্তৰাম বৰুৱাৰ অসমীয়া লগুৱাটো মোৰ ঘৰত ওলালহি। তাক দূৰতে দেখি মোৰ বুকুখন ঢপঢপাবলৈ ধৰিলে। সি মোক ব্যস্তভাৱে খবৰ দিলে—"দেউতা, বেগতে আহক; আজি ৰাতি পুৱাই পুৱাই অহাৰেপৰা আমাৰ হাকিমৰ দেখোন মাতবোল নাইকিয়া। মই লৰি সেইদেখি আপোনাক লৈ যাবলৈ আহিলোঁ।"

মই লৰালৰিকৈ গৈ সন্তৰাম বৰুৱাৰ থকা ঘৰ পাই, ওপৰলৈ উঠি গৈ দেখিলোঁ যে সন্তৰামৰ ধাতু শৰীৰত নাই, সি কেতিয়াবাই তাৰপৰা উৰি গল!

বাপুৰাম। ঢুকাল নে ববৰুৱা ডাঙৰীয়া?

ববৰুৱা। ববৰুৱা ডাঙৰীয়া ঢুকুৱা নাই, সন্তৰাম হাকিমহে ঢুকাল।

বাপুৰাম। (অপ্ৰস্তুত হৈ) নহয় মই আখ্যানৰ কথা হে কৈছিলোঁ।

ববৰুৱা। আখ্যানটোও ঢুকাল

বাপুৰাম। ববৰুৱা ডাঙৰীয়া, মোক ক্ষমা কৰিব, মই বুজিব পৰা

নাই এই আখ্যানটো কেনেকৈ আপোনাৰ জীৱন চৰিত্ৰৰ সজুলি হব। এইটো সন্তৰামৰ হে জীৱনচৰিত্ৰ।

ৰবৰকৰা। মই অদ্বৈতবাদী। জীৱ আৰু ব্ৰহ্ম এক। সেইদেখি সকলো জীৱ এক। ( ইউক্লিডৰ জিয়মেত্ৰি চোৱা। ) সন্তৰাম আৰু মই সেই দেখি এক।

বাপুৰাম। মই তেস্তে উঠিলোঁহে, আৰু খন্তেকমান থাকিলেই ৰবৰকৰাই মষ্ণে একে হৈ যাম ; এতেকে পলাওঁ।

ৰবৰকৰা। পলোৱাঁ—আজি তোমাৰ এটা বিষ্ট কাটি পল বুলিব লাগে

---

## গান।

( "মধুৰ বসন্তে কুটন্ত-ফুলে"—ইত্যাদি গানৰ সুৰ )

কুসুম নিকুঞ্জে প্ৰফুল্ল সাজে সাদৰে হাঁহি হাঁহি ফুলৰ ৰাণী নাচে হে।
হাঁহিছে কুসুম, ৰচিছে ফুলবন, কমল-মুখানি হায়, আঁৰতে লুকায় হে,
জুমি জুমি সুবাসনা ৰূপৰাশি চাও হে।
কত গান তমু নামে, কত তান তমু প্ৰেমে,
অবিৰল সুধাধাৰ কিবে সুৰে বয় হে,
চম্পক ফুলবনে কিবা ভাবি নওঁ হে॥

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ.

---



# অমৰ-প্ৰকাশ।

( ২ )

অমৰকোষ তিনি ভাগত বিভক্ত (৪) ; সৰ্ব্বমোট ওঠৰটা প্ৰকৰণ (অধ্যায়) আছে, যেনে, (১) স্বৰ্গবৰ্গঃ (২) পাতালবৰ্গঃ (৩) ভূমিবৰ্গঃ (৪) পুৰবৰ্গঃ (৫) শৈলবৰ্গঃ (৬) বনৌষধিবৰ্গঃ (৭) সিংহাদিবৰ্গঃ (৮) মনুষ্যবৰ্গঃ (৯) ক্ষত্ৰিয়-বৰ্গঃ (১০) ব্ৰহ্মবৰ্গঃ (১১) বৈশ্যবৰ্গঃ (১২) শূদ্ৰবৰ্গঃ (১৩) প্ৰাণিবৰ্গঃ (১৪) বিশেষ্য নিঘ্নবৰ্গঃ (১৫) সঙ্কীৰ্ণবৰ্গঃ (১৬) নানাৰ্থবৰ্গঃ (১৭) অব্যয়বৰ্গ (১৮) লিঙ্গাদিসংগ্ৰহবৰ্গঃ। এই কেইটাই প্ৰধান বৰ্গ, ইয়াৰ ভিতৰতে আকৌ স্বৰ্গবৰ্গত থকা ব্যোমবৰ্গ, নাট্যবৰ্গ, নানাৰ্থবৰ্গ আৰু অব্যয়বৰ্গৰ মাজত থকা অব্যয় নানাৰ্থ বৰ্গ আদিৰ নিচিনা সৰু সৰু কিছুমান বৰ্গ আছে।

অমৰকোষৰ ভাগ সম্বন্ধে মহাত্মা আনন্দৰাম বৰুৱাই তেখেতে সম্পাদন কৰা অমৰকোষৰ পাতনিত এই দৰে আলোচনা কৰি গৈছে।

(১) অমৰকোষৰ দ্বিতীয় ভাগৰ বিষয়ে কাৰো মতভেদ নাই। গ্ৰন্থকাৰে এই ভাগৰ প্ৰথমটো শ্লোকত অধ্যায়বিলাকৰ নাম আৰু একেবাৰে শেহৰ-টোত গ্ৰন্থনৰ নাম দিছে। জনদিয়েক জাৰ্ম্মেনিদেশীয় পণ্ডিতে বুৰি এই অধ্যায়বিলাকৰে কিছুমানৰ ভাগ কৰিছে, কিন্তু তেখেতসকলে কৰাদি ভাগ কৰিব পাৰি যদিও টীকাকাৰসকলে প্ৰত্যেকটো অধ্যায়তে এটা যাখোন সংখ্যাৰ অনুক্ৰমণিকা ( Series of numbers ) দিছে, আৰু এই কাৰণে টীকাত—"অথ বৰ্গাঃ" ইত্যাদি ক্ষীৰস্বামীৰ যি উক্তি আছে সেই উক্তি প্ৰতি অধ্যায়তে অলোচিত বিবিধ বিষয়ৰ আদিসূচক বুলি বুজিব লাগিব, বেলেগ বেলেগ শাখাৰ বুলি নহয়। তদুপৰি, গ্ৰন্থকাৰে ক'তো এনেকুৱা উপশাখাৰ উল্লেখ কৰা নাই, কাজেই যিমানেই উপযোগী আৰু সুবিধাজনক হ'ক, কোনো উপশাখাই ঠাইপোৱা উচিত নহয়।

---

(৪) একোটা একোটা ভাগৰ নাম কাণ্ড। এই বাবে কোনোৱে অমৰকোষক 'ত্ৰিকাণ্ড' বোলে। আকৌ কোনোৱে নামলিঙ্গানুশাসন", আৰু কোনোৱে "অভিধানো" বোলে।

(২) তৃতীয় কাণ্ডৰ বিষয়েও মতভেদ আছে। এই কাণ্ডৰ "নানার্থ বর্গ" আৰু অব্যয়বর্গৰ মাজত থকা 'নানার্থ' অব্যয়ৰ (৫) পৰিচ্ছেদটো ক্ষীৰস্বামীৰ মতে অব্যয়বর্গৰে এক অংশ, কিন্তু আন আন টীকাকাৰৰ মতে 'নানার্থ' বর্গৰ হে এভাগ। এই মত দুটাৰ আগৰটো ভ্ৰমাত্মক, কাৰণ, নানার্থবর্গৰ শেহত যি শাৰী শ্লোকৰ চৰণ আছে, "পৰিচ্ছেদে নৃপার্হেঽর্থে পৰিবর্হোঽব্যয়াঃ পৰে", ইয়াৰ "ঽব্যয়াঃপৰে" এই ভাগটো নানার্থবর্গৰ লগতে যাৰ আৰু এই নানার্থবর্গটোকে আকৌ আগেয়ে কৈ অহা মতে দুভাগ কৰিব নোৱাৰি। তদুপৰি, গ্ৰন্থকাৰে অব্যয়বর্গটো নানার্থবর্গৰ পাছত দিছে আৰু যি স্থলত নানার্থ অব্যয় শব্দবিলাকো নানার্থশব্দই আৰু আন আন অব্যয়ৰ ( অব্যয়বর্গৰ ) আগত আছে, তেনে স্থলত সিইঁত যথার্থতে নানার্থবর্গৰ হে এভাগ, অব্যয়বর্গৰ নহয়। আকৌ, কোনোৱে বিশেষ্য নিঘ্নবর্গটো দুভাগত বিভক্ত কৰে কিন্তু নামত হে, কাৰণ ভাগ কৰ'ক বা নকৰক সংখ্যাৰ অনুক্ৰমণিকা ( Series of numbers ) মাথোন এটা। তদুপৰি, এই দৰে ভাগ কৰিলে এটা শ্লোককে দুভাগ কৰিব লগা হোৱাত ভাষা আৰু ৰচনা পদ্ধতি কৰ মেয়া হৈ উঠে।

(৩) প্ৰথম কাণ্ডৰ বিষয়ে মতভেদ আৰু বেছি। টীকাকাৰ মুকুটৰ মতে স্বর্গবর্গৰ সীমা নাট্যবর্গলৈকে (৬)। মুকুটে নাট্যবর্গৰ শেহত "ইতি স্বর্গবর্গঃ" এই আখ্যা দেখি নাট্যবর্গ স্বর্গবর্গৰ অন্তৰ্গত বুলি ব্যাখ্যা কৰিছে। বঙ্গীয় টীকাকাৰসকলৰ বেছি ভাগেই মুকুটৰ প্ৰথম মতকে অবলম্বন কৰিছে আৰু প্ৰায়বিলাক বঙ্গীয় সংস্কৰণতে নাট্যবর্গৰ শেহত "ইতি স্বর্গবর্গঃ" এই আখ্যা আছে। কিন্তু এইটো বঙ্গীয় টীকাকাৰসকলৰ ভুল। পুনা নগৰৰপৰা প্ৰকাশিত ক্ষীৰস্বামীৰ টীকাত, সর্বানন্দ ( সম্ভবতঃ বঙ্গীয় ) আৰু লক্ষ্মণৰ ( সম্ভবতঃ কাণাৰী ) টীকাত এই "ইতি স্বর্গবর্গঃ" নাই। তদুপৰি, এই দৰে নাট্যবর্গটো স্বর্গবর্গৰ অন্তৰ্গত বুলি লেখ কৰাতো গ্ৰন্থকাৰ অমৰসিংহৰ মতৰ বিৰুদ্ধ, কাৰণ প্ৰথম কাণ্ডৰ শেহৰটো শ্লোকত অমৰে আটাইবিলাক অধ্যায়ৰে নাম দিছে,

(৬) নাট্যবর্গটো স্বর্গবর্গ আৰু পাতালবর্গৰ মাজত।



উক্তং স্বর্ব্যোম দিক্কাল ধীশব্দাদিসনাট্যকম্।
পাতালভোগি-নৰকং বাৰি বৈবাঙ্গ সঙ্গতম্॥

(১) স্বৰ্ (২) ব্যোম আৰু দিক্ (৩) কাল (৪) ধী (৫) শব্দাদি (৬) নাট্য (৭) পাতাল আৰু ভোগি (৮) নৰক (৯) বাৰি। অমৰকোষৰ পৰিশিষ্ট "ত্ৰিকাণ্ড শেষটো অবিকল অমৰকোষৰ দৰেই সজোৱা হৈছে, তাতো দেখা যায় যে স্বৰ বা স্বর্গবর্গ অমৰকোষৰ প্ৰথম অধ্যায়,—ওপৰত কোৱা প্ৰথমৰ অধ্যায় ছটা ( ১—৬ ) নহয়। আকৌ, মুকুটে শেহৰ অধ্যায় তিনটা ৭—৯) গোটাই "পাতালবর্গ" পাতিছে, কিন্তু অমৰে নিজেই অভিধানখন স্বৰাদি, ভূম্যাদি আৰু সামান্য কাণ্ড এই তিনি ভাগত বিভক্ত কৰি লৈছে; কাজেই, মুকুটে উদ্ভাবন কৰা নতুনভাগ 'পাতালবর্গ' কোনোপ্ৰকাৰেই নিটিকে।

ইয়াৰ বাহিৰেও পাতালভোগিবর্গ আৰু ব্যোমদিগ্বর্গৰ বিষয়ে মতভেদ আছে (৭)। টীকাকাৰ মুকুটৰ মতে পাতালভোগিবর্গ দুভাগত বিভক্ত, পাতালবর্গ আৰু ভোগিবর্গ, ( পাতালভোগিবর্গৌ ) আৰু ব্যোমদিগ্বর্গও দুভাগত বিভক্ত, ব্যোমবর্গ আৰু দিগ্বর্গ ( ব্যোমদিগ্বর্গৌ )। প্ৰথমটো মত কেৱল মুকুটৰ, কিন্তু মুকুটৰ নিজৰ টীকাৰে প্ৰায়বিলাক পাণ্ডুলিপিতে "পাতালভোগিবর্গৌ"ৰ ঠাইত "পাতালভোগিবর্গঃ" লিখা আছে। শুদ্ধ কৰিলে গলে "বর্গৌ"ৰ ঠাইত "বর্গঃ" হোৱা উচিত। ত্ৰিকাণ্ড শেষতো "পাতালভোগিবর্গঃ" এইৰূপ আছে। দ্বিতীয়টো মত প্ৰায়বিলাক পাণ্ডুলিপিতে গ্ৰহণ কৰা হৈছে, কিন্তু আটাইবিলাকতে নহয়। ছপা হৈ ওলোৱা ত্ৰিকাণ্ড শেষত আকৌ কেৱল "দিগ্বর্গঃ বুলিহে আছে, কিন্তু "ব্যোমদিগ্বর্গঃ" বোলাটোহে সম্পূৰ্ণ যুক্তি-সঙ্গত, কাৰণ "ব্যোমৰ" প্ৰতিশব্দবিলাকো দিগ্বর্গত দিয়া হৈছে। দ্বিতীয় কাণ্ডৰ বণৌষধিবর্গটো যেনেকৈ কোনেও দুভাগ কৰি বনবর্গ আৰু ওষধিবর্গত পৰিণত কৰা নাই, ঠিক তেনেকৈ ব্যোমদিক্ আৰু পাতালভোগি এই শব্দ দুটাকো সমাস নিষ্পন্ন বুলি নধৰাৰ কোনো মানে নাই। যদি ধৰা যায়, ব্যোমদিক্ পৃথক্ পৃথক্ শব্দ, তেনে হ'লে ব্যোমৰ প্ৰতিশব্দবিলাক এটা বিভিন্ন অধ্যায়ৰ, এই অসঙ্গত

(৭) এই দুটা বর্গ প্ৰথম কাণ্ডৰ, পাতালবর্গ আৰু স্বর্গবর্গৰ অন্তৰ্গত।

আৰু অদ্ভুত সিদ্ধান্তত উপস্থিত হব লাগিব। সেই দৰে, "পাতালভোগিকো" দুটা বেলেগ বেলেগ শব্দ বুলি ধৰিলে, সাপৰ (৮) নামবিলাক ভাগ কৰি পেলাব লাগিব, কাৰণ পাতালবৰ্গৰ চতুৰ্থ শ্লোকৰ প্ৰথম চৰণৰ মাজখিনিৰ পৰাহে নামবিলাকৰ আৰম্ভ,

> শেষহৰু সপ্তমসং নাগাঃ কাদ্ৰবেয়াস্তদীশ্বৰাঃ।
> শেষোহনন্তো বাসুকিস্তু সৰ্পৰাজোহথ গোণসে॥

গতিকে, অমৰসিংহই ব্যোমদিক্ আৰু পাতালভোগি এই দুটা সমাস নিষ্পন্ন কৰিছিল, বেলেগ বেলেগ শব্দ বুজাবৰ অৰ্থে প্ৰয়োগ কৰা নাছিল। বোধাইবপৰা ওলোৱা কোনো কোনো সংস্কৰণত ব্যোম আৰু দিক্ এই বৰ্ণ দুটা পৃথক্ পৃথক্ কৈ সজোৱা দেখা যায়, কিন্তু কোনো হাতে লিখা পুথিতে এই দৰে সজোৱা নাই।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# আত্মদান।

মানুহ যেতিয়া সৰল-চিত্তীয়, বিশ্বাসী আৰু সত্যপৰায়ণ আছিল, খিয়াল, মইমতালি, পাপ-চিন্তা আৰু অহঙ্কাৰে যেতিয়া তেওঁলোকৰ অন্তৰত ঠাই নাপাইছিল তেতিয়া সেই শুদ্ধমতি, সৰল মনৰ জাতিবিলাকলৈ ধৰ্ম্ম আৰু সমাজ-বিপ্লৱ অচিনাকী বস্তু আছিল; তেওঁলোকৰ মাজত সদাই শিৱশান্তি বিৰাজিছিল।

প্ৰশান্ত সাগৰৰ নিচিনা স্থিৰ সমাজক কঁপাই যেতিয়া পোন প্ৰথমে বিপ্লৱ-বতাহ বৰলৈ ধৰিলে, অচল অটল সমাজক সেই প্ৰবল ধুমুহাই ছেদেলিভেদেলি কৰি পেলালে, তেতিয়াই চিৰকলীয়া শান্তি-সুখ ভুগি থকা মানুহে আত্মৰক্ষাৰ উপায় উলিয়াবলৈ প্ৰাণপণে পুৰুষাৰ্থ কৰিবলৈ লাগিল। সিদিনাৰেপৰা সিবিলাকৰ জীৱন-যুদ্ধৰ থলীত আত্মশক্তি পৰীক্ষাৰ

(৮) সাপক সংস্কৃতত "ভোগিন্" বোলে।



আয়োজন হবলৈ লাগিল। তন্ত্ৰ মন্ত্ৰ আদি কৰি শাস্ত্ৰ ৰচা হল, জীৱসংহাৰক অস্ত্ৰ সজা হল আৰু সাম, দান, দণ্ড, ভেদাদি ৰাজনৈতিক কৌশল (policy) ওলাই পৰিল। ধৰ্ম্মত জটিলতা, নীতিত মলিনতা, সমাজত সঙ্কীৰ্ণতা সোমাল। ৰণৰ ওৰ নোহোৱা হল। শস্যশ্যামলা ধৰণীৰ বুকু মানুহৰ তেজেৰে ৰাঙলী হল। আত্মকন্দল আৰু আত্মদ্ৰোহে মানৱ সমাজক ছিন্নভিন্ন কৰি পেলালে।

কিন্তু বেয়াৰপৰাই ভাল ওলায়, এই বিপ্লৱধুমুহাৰ হাত সাৰিবৰ উপায় বিচাৰি প্ৰাণ টাকি যুজি থাকোতে তেওঁবিলাকৰ উদ্দেশ্য সিদ্ধি হল—বাঞ্ছনীয় ধন হাতত পৰিল। আত্মৰক্ষা আৰু অমৰত্ব লাভৰ মন্ত্ৰ ওলাই পৰিল। সেই অমৃত-কল্প মৃতসঞ্জীৱনী মন্ত্ৰ—আত্মদান। যিসকল এই মন্ত্ৰত দীক্ষিত হ'ল, তেওঁলোকে অনন্ত জীৱন পালে; যিসকল নহল তেওঁলোকে অনন্তৰ কোলাত অচিন্ অজান্ ৰূপে দেহা এৰিলে।

গোটেই জগতৰ আৰু সকলো যুগৰ বুৰঞ্জীয়ে মানুহৰ এই জীৱন মৰণৰ "সোণৰ কাঠী" আৰু "ৰূপৰ কাঠীৰ" কথা কৈ আহিছে। আত্মদান—"সোণৰ কাঠীৰ" স্পৰ্শত মৰা শতে কেনেকৈ জীৱৰ সঞ্চাৰ হয় আৰু স্বাৰ্থৰ "ৰূপৰ কাঠিয়ে" সজীৱ দেহাকো কেনেকৈ নিৰ্জীৱ কৰে, ভাৰত-বুৰঞ্জীৰ সত্য, ত্ৰেতা, দ্বাপৰ, কলি চাৰি অধ্যায়তে তাৰ বিৱৰণ পোৱা যায়।

সত্যযুগেই কলিত পৰিণত হয়—যেনে পুৱা গধূলিত। বেলিয়ে আপোন জেউতি বিলাবলৈ আহিলেই উষাৰ সমাগম হয়। কিন্তু সেই দিনদেৱে যেতিয়া নিজৰ সৰ্ব্বস্ব নিজেই ওভোতাই নিয়ে, তেতিয়া চতুৰ্দ্দিশ আন্ধাৰে খাণ্ডৰি ধৰে। পৰাৰ্থপৰায়ণ, আত্মত্যাগী, আপোনপাহৰা আৰ্য্যসকল ক'ত? পবিত্ৰাত্মা ঋষিসকলৰ সামগানত ভাৰতৰ আশ্ৰম, তপোবন এতিয়া আৰু ধ্বনিত নহয়। অমৰৰ সৈতে নৰৰ আৰু দেখাদেখি নাই! অমৰৰ বিপদত নৰে আৰু নৰৰ আপদত অমৰে আৰু সহায় নকৰে! কাৰণ পৰসেৱাই যিবিলাকৰ ধৰ্ম্ম, সত্যই যিসকলৰ ব্ৰত, যিসকলে পৰৰ হকে সৰ্ব্বস্ব—এনেকি প্ৰাণকো উছৰ্গি দিছিল, এদিন তেওঁলোকে সঁচাসঁচিকৈয়ে ভাৰতলৈ সত্য যুগ আনিছিল। তেওঁলোকৰ বংশধৰসকলে আগৰ গৌৰৱ

আৰু কৰ্ত্তব্য পাহৰি কলি যুগক সাদৰি আনি স্বাৰ্থৰ "স্পৰ্শ কাঠিৰ" স্পৰ্শত নিৰ্জ্জীৱ হৈ পৰিছে !! সেই দেখিহে আজি পুৰাণ বা সাধুকথাৰ পুথিৰ পিঠিতহে শোভিছে—আত্মদানৰ জলজলীয়া পটন্তৰ মহামুনি দধীচিৰ অত্যুজ্জ্বল আত্মদানৰ বিমল কাহিনী !!! স্বাৰ্থ-মলিৰে মলিয়ন আত্মহত্যাইহে যুগৰ লক্ষণ নিৰ্দ্ধাৰিছে !

আত্মহত্যা মগজুবিকৃতিৰ, আত্মদান সুবিবেচনা আৰু সুমতিৰ ফল। আত্মহত্যা পৈশাচিক, আত্মবলি স্বৰ্গীয়। অনন্ত বিশ্বৰ মহান গৰাকীৰ যজ্ঞ-বেদীতে আহুতি দিব পৰা সকলোৰে শক্তিৰ ভিতৰুৱা নহয়। জগতৰ হিতৰ হকে নিজক উছৰ্গি দিয়াটো যাৰে তাৰে সাধ্য নহয়, ভাগ্যত নহয়। ইয়াৰ বাবে আগৰ সাধনা লাগে, কঠোৰ তপস্যা লাগে। হিয়াত বিশ্ব-শক্তিৰ আবিৰ্ভাব নহলে পৰোপকাৰ-ব্ৰতত ব্ৰতী কেৱে হব নোৱাৰে—আত্মদান কৰি অমৰত্ব লভিব নোৱাৰে। কোনে জানে, ব্ৰতীৰ হিয়াত কেতিয়া কোন অৱস্থাত এই শক্তি ওপজে পতিতজনৰ উদ্ধাৰৰ হকে ভগৱানে কাৰ অন্তৰক কেতিয়া আত্মবলি দিবলৈ উদ্গায় ?

সুখ-বিলাস, ৰাজ্য-সম্পদ, ভোগ-ঐশ্বৰ্য্যত বুৰি থাকোঁতে গৌতমৰ অন্তৰলৈ এই উদগনি আহিছিল। ৰোমত "গ্লেডয়েটৰ"বিলাকৰ হিয়া-ভেদী নিৰ্দ্দয় যুদ্ধত লক্ষ লক্ষ নৰনাৰী উল্লাহত মতলীয়া হৈ থাকোতে সাধাৰণ হিয়া এখনি পৰৰ হকে বিদীৰ্ণ হৈছিল। মহাত্মাজনৰ আত্মদানৰ ফলত ৰোমে চিৰশান্তি লভিলে। পিতৃস্নেহত পমি দেবী স্নেহলতাই আত্মবলি দিলে। তেওঁৰ স্বৰ্গীয় আত্মোৎসৰ্গই আজি বঙ্গদেশৰ ইমুৰৰপৰা সিমুৰলৈকে তোলপাৰ লগাইছে। বঙ্গালী ডেকাসকলে কঁকালত টঙ্গালি বান্ধি ওলাইছে সিবিলাকৰ সমাজিক কুপ্ৰথা (শহুৰ শাহুৰেপৰা টকালৈ বিয়া কৰোৱা সৰ্ব্বনশীয়া প্ৰথা) শিপাই সৈতে উঘালিবলৈ। যি অনলত পুণ্যময়ী আত্মদানৰ মুৰ্ত্তিমতী দেবীয়ে আত্মাহুতি দিলে সেই অনল আজি বঙ্গদেশত গৌ গৌ কৈ জ্বলি নিকৰুণ প্ৰথাটিক ভস্মীভূত কৰিবলৈ আগুৱান ! স্নেহলতাৰ আত্মদানে সুপ্ত সমাজক জগাই নিজ কৰ্ত্তব্য আঙুলিয়াই দিছে।

অসাৰ সংসাৰৰ সাৰবস্তু ঈশ্বৰ আৰাধনা, ধৰ্ম্ম, নীতি আৰু সাম্য, মৈত্ৰী



শিক্ষা দি জগতৰ কল্যাণ সাধিব পৰিছে মাথোন আত্মদানৰ অৱতাৰ মহাপুৰুষসকলেহে। যীচুখ্ৰীষ্টৰ আত্মদানত অজ্ঞান-আন্ধাৰৰ ক'লা ঢাকনিয়ে আবৰি থোৱা প্ৰায় গোটেইখন ইউৰোপে সুবিমল জেউতি পাই উদ্ধাৰ লভিলে। চৈতন্যদেৱৰ আত্মদানে পাপ-পঙ্কত পোত গৈ থকা জগাই মধাইক পঙ্কৰপৰা তুলি আনিলে। খ্ৰীষ্ট আৰু খ্ৰীষ্টিয়ান মাৰ্টাৰসকল

অৰ্থাৎ—"নহলে যদি মোক আপুনি অবধ্য বুলি ভাবে, তেনে হলে মোৰ যশৰূপ শৰীৰলৈ দয়া কৰক। মোৰ নিচিনাবিলাকৰ দুদিনীয়া ভৌতিক দেহালৈ যে আস্থা নাই সেইটো নিশ্চিত।" কি অনুপম চৰিত্ৰ ! উচ্চমনা পুৰুষৰ কি নিৰ্ভীক অমূল্য বচন !! তেওঁ সিংহক কাকুতি কৰি কৈছিল, "যদি কোনো কাৰণে আপুনি মোক বধ কৰিব নোখোজে, তেনেহলে মই কওঁ এই ভৌতিক দেহাৰ ওপৰত এই সময়ত দয়া প্ৰকাশ কৰি আচলতে আপুনি নিৰ্দ্দয় হে হৈছে। এই দয়া দেখুৱাবলৈ মোৰ নাম "আশ্ৰিতৰ অৰক্ষক দিলীপ" এই নিন্দাই চিৰকাললৈ কলঙ্কিত কৰিব। এই কলঙ্ক অৰ্পণ দয়াৰ কাম হবনে ? সেই দেখিহে কওঁ, মোৰ এই নশ্বৰ দেহা গ্ৰহণ কৰি জগতক দেখাওক কেনেকৈ আশ্ৰিতক ৰক্ষা কৰিব লাগে। যশ-দেহাৰে অমৰ হৈ থাকিবৰ বাট সুগম কৰক, তেতিয়াহে আচল দয়া দেখুৱা হব।"

জন্মভূমি জাতিৰ তেজত ভাহি থাকোতে শুভক্ষণত এদিন আত্ম-সংযমী সত্যপৰায়ণ মহাবীৰ ভীষ্মই শৰশয্যাত আত্মবলি দি কুৰুক্ষেত্ৰৰ তপত মাটি চেঁচা কৰিলে। শীতল পানীৰ নিচিনা তেওঁৰ হিয়া-তেজত সংগ্ৰামৰ তপত ক্ষেত্ৰ চিৰশান্তিময় হল। শ্ৰীকৃষ্ণৰ আত্মদানত আত্মদ্ৰোহী যাদৱ সকলৰ প্ৰভাসযজ্ঞ উটি গল। তেতিয়াৰেপৰা ভাৰতত আত্মদানৰ মঙ্গলমূৰ্ত্তিৰ থাপনা হৈ মন্দিৰে মন্দিৰে পূজা হবলৈ লাগিল। আত্মত্যাগী পূজনীয় মহাপুৰুষসকলৰ পূজাভাৱ নাটনি নহল সঁচা কিন্তু তেওঁলোকৰ আত্মদান মন্ত্ৰত কেইজন নো দীক্ষিত হল ? বৰঞ্চ কিমানজনে সিবিলাকৰ পবিত্ৰ নামত ঢাকনী দি স্বাৰ্থপূজা পাতি অলেখ আত্মদানাদৰ্শৰ পুণ্যভূমি মাতৃভূমিৰ গাত মচিব নোৱাৰা কলঙ্ক সানি গ'ল !

শ্ৰীহৰেন্দ্ৰকুমাৰ চৌধুৰী।

# বৰদোৱা যাত্ৰী।

মই সৰুৰেপৰা শুনিছিলোঁ বোলে বৰদোৱাত হেনো দোলযাত্ৰাৰ দিনা বৰ ধুমধাম হয়। পাছে সময়ৰ অসুবিধাত এবাৰো চাবলৈ যাব পৰা নাই। মনে সদাই যাবৰ ইচ্ছা কৰে। সেই গতিকে এই বাৰ সকলো বাধা বিঘিনি তল কৰি বৰদোৱাৰ দোলযাত্ৰা চাবলৈ যাবৰ নিমিত্তে মন বান্ধিলোঁ। আজিকালি কৰি দোলযাত্ৰা ওচৰ চাপিছে, মৰো চাবলৈ যাবৰ বাবে লগ বিছাৰিছোঁ। এদিন কলঙৰ কাষত কেইজনমান মোৰ সমনীয়া বন্ধু লগ পাই তেওঁলোকৰ লগত বৰদোৱালে যাবলৈ থিৰ কৰিলোঁ।

দোলযাত্ৰাৰ দিনা পুৱা ৬মান বজাত গৰু গাড়ীৰে যাবলৈ ঠিক কৰা হল। তিন দিনৰ পাছত দোলযাত্ৰা পালেহি। পুৱা প্ৰায় সাত মান বজাত গা ধুই পাঁচ জন বন্ধুৰে লগ লাগি গৰুগাড়ীত উঠি বৰদোৱালৈ যাত্ৰা কৰিলোঁ। বৰদোৱা নগাঁৱৰপৰা প্ৰায় ৯ মাইল মান পশ্চিমে। ইয়াত শঙ্কৰদেৱৰ থাপিত থান আছে। মহাপুৰুষ শঙ্কৰদেৱৰ দিনৰ পৰাহে ইয়াৰে বটা থাগৰিয়েও মান পোৱা হয়। মই ইতি পূৰ্ব্বে শুনিছিলোঁ বৰদোৱা বোলে বৰ হাবিৰ মাজত। যাওঁতে বাটত বোলে সময়মতে বনৰজাও পোৱা যায় হেনো। যেই হওক শুনা কথা বিপৰীত বুলি ভাবি মন বপৰা ভয় বাজ কৰি পঞ্চজনাই গৰু গাড়ীত উঠি লাহে লাহে যাবলৈ আৰম্ভ কৰিলোঁ। দুই মাইল মান গৈ সোণাই বুলি এখনি সৰু নদী পালোঁ,—নদী পাৰ হয়ে ৰাজবাটৰ দুয়ো কাষে সৰু সৰু বটা থাগৰি হাবি দেখা পালোঁ। এই দৰে পঠাৰৰ কোমল ঘাঁহৰ সেউজীয়া ৰহণৰ ওপৰত চৰি ফুৰা বগা ছাগলী, আৰু বগা বগলীৰ জোপা মৰা চাই চাৰি পাচ মাইল মান গৈ, মই মোৰ বন্ধু কেজনক শুধিলোঁ,—কতা হে? মানুহে দেখোন বাঘ হাতী থকা হাবিৰ মাজৰ বাটেদি বৰদোৱালৈ যাব লাগে বুলি কয়,—হাবি কতা? মোৰ কথা শুনি তেওঁলোকে কলে যে আমি ৰাজবাটেদি আহিলোঁ দেখি হাবি পোৱা নাই। অন্য বাটেদি আহিলে হাবি পোৱা যায়।



বাটত যাওঁতে অনেক যোৱা অহা মানুহ লগ পালোঁ। প্ৰায় অহা মানুহবোৰৰ মুখবোৰ ৰঙা, কিন্তু কাপোৰকানি কতো একো দাগ নাই। আচৰিত হলোঁ, আজি ফাকুৱাৰ দিনাও কাপোৰত দাগ নাই! তেতিয়াই মই অনুভৱ কৰিলোঁ যে বৰদোৱাত আমাৰ দৰে ফাকু খেলা নহয়; নাইবা এই মানুহবোৰে কাপোৰত দাগ লগাৰ ভয়ত মুখত অলপ ফাকু দি আদ বাটৰপৰাই শুচি আহিছে। দেখা যাওক। এই দৰে গৈ থাকোতে থাকোতে শান্তিজান বুলি এটি জান পালোঁগৈ; ইয়াৰপৰা থানলৈ প্ৰায় আধা মাইলৰ ওপৰ থাকে। ইয়াতে আমাৰ গাড়ী ৰখাই হাত মুখ ধুই ললোঁ। এই শান্তি জানৰ পাৰত অলপ বটা থাগৰিৰ হাবি আছে। জানটোৰ দক্ষিণ মুৰ শুকাই খালি ওলাইছে; উত্তৰ মুৰটো কিমানলৈকে আছে কব নোৱাৰোঁ। দেখা নেপালোঁ। এই জানটোৰ দুয়োকাষে যদিও হাবি, তথাপি তাৰ মাজে মাজে এনেকুৱা একোডৰা বননি আছে যে তাত যেন বাগৰি আকাশৰ নীলা আস্তৰণ চাই থকিম এনে বোধ হয়। উত্তৰ মুৰে কাষতে বৰ বহল এডৰা দলনি, তাত গৰু মহবোৰে মনৰ আনন্দেৰে চৰি ফুৰিছে। কোনোটিৰ পিঠিত সময়ত একোটি বগলী চৰাই পৰি অপূৰ্ব্ব শোভা ধাৰণ কৰিছে। জানটিত অলেখ মাছ, মাছবোৰে মনৰ অনন্দত নীলা আকাশলৈ চাই জপিয়াব লাগিছে: কেতিয়াবা কোনোটোৱে পানীৰপৰা প্ৰায় এহাত ডেৰহাত ওপৰলৈকে জপিয়াই উঠিছে, আকৌ পানীত পৰিছে।

এইবোৰ চাই চিন্তি লাহেকৈ আলিবাট এৰি থানৰ ফালে বাট ললোঁ। লাহে লাহে থানৰ কাষ পালোঁগৈ। থানলৈ আৰু প্ৰায় পোৱা মাইল মান আছে, এনেতে আমি আমাৰ গাড়ী ৰখালোঁ। ইয়াৰপৰা আৰু গাড়ী ভিতৰলৈ নিব নোৱাৰি। গাড়ী নিয়া পাছ কথা, মানুহেই মানুহৰ কান্ধত যোৱাদি যাব লাগে। নৈৰ ধাৰৰ নিচিনা মানুহৰ সোঁত বব লাগিছে। এই খিনিতে কওঁ যে মই যদিও চাফ্ চিকুণ হৈ গৈছিলোঁ, তথাপি গাত নতুন কিম্বা বেছি দামৰ কাপোৰ নাছিল। কাৰণ মই আগেয়ে শুনিছিলোঁ, বোলে দোলযাত্ৰাৰ দিনা বৰদোৱালৈ গলে, ৰং লৈ পথৰা-ভিতৰা হব লাগে। তদুপৰি জোতা নিলে বোলে গাৱঁৰ মুৰৰপৰাই অৰ্দ্ধচন্দ্ৰ লৈ উলটিব লগা হয়; গতিকে ভয়ত মই সকলো পৰিত্যাগ কৰি গৈছিলোঁ।

৪

মোৰ লগৰ দুজন এজনৰ ভৰিত জোতা আছিল। তেওঁলোকে গাড়ীত জোতা গুজি থৈ যাব বুলি ভাবি মই একো শোধা নাছিলোঁ; এতিয়া গাড়ীৰপৰা নামিও তেওঁলোকে জোতা নোখোলা দেখি শুধিবলৈ বাধ্য হলোঁ। মই শোধাত তেওঁলোকে কলে, আমি তো কেবলীয়া ভকত নহয়, জোতাৰে পানী খালে আমাৰ জাত যাবনে, বা আমি নামঘৰত সোমাই প্ৰসাদ লব লাগিব? এতিয়াহে মই বুজিলোঁ যে ইয়ালৈ জোতাৰে আহিলে নামঘৰত হে সোমাব নোৱাৰি, বাকী সকলো ঠাইত ফুৰিব পাৰি। আমি যত গাড়ী ৰখাই-ছিলোঁ তাত মানুহৰ কোলাহল সিমান বেছি নহয়। তাৰপৰা কিছু গৈয়ে কেইখনমান দোকান পোহাৰ দেখা পালোঁ, সেইখিনিত মানুহৰ ইমান ভিৰ যে নিজে খোজ নেকাঢ়ি গাটো কাতিকুতাকৈ আগলৈ ভৰ দিলেই অনায়াসে গৈ থাকিব পাৰি। কোনো জনৰ ইয়াতে বলৰ পৰিচয় পোৱা যায়, তেওঁ নিজৰ ভৰ নিজে ঠিক ৰাখিব নোৱাৰি বাটৰ কাষৰ খালত দীঘল হয়।

আমিও কোনোমতে ঠেলা হেচা খাই বাটচৰাৰ কাষ পালোঁগৈ। তাৰপৰা এটি ডাঙৰ ঘৰ দেখা পালোঁ। ইয়াৰ ভেটি প্ৰায় আঢ়ৈহাতমান ওখ হব। এই ঘৰটিৰ পাছ ফালে কাষতে আগত পুখুৰী এটিৰে সৈতে তাতকৈ সৰু তিনিহাত মান বহল কাঠি থকা কেইটামান ঘৰ দেখা পালোঁ। এই ঘৰকেইটা কি ঘৰ একো তত ধৰিব নোৱাৰি, মোৰ লগৰ বন্ধু কেই-জনক শুধিলোঁ। মোৰ কথা শুনি তেওঁবিলাকে কলে, সেইবোৰ উদাসীন ভকত থকা ঘৰ। প্ৰত্যেক ঘৰতে ছয় সাতখন কৰি দুৱাৰ; দুৱাৰৰ কাষতে একোখন কল-ঠহৰাৰ কঠ থুপাই থোৱা আছে। নামঘৰত ভকতসকলৰ নাম চলিব লাগিছে। এনেতে পশ্চিম ফাললৈ মুখ কৰি দেখা পালোঁ অলপ দূৰত এটা পুখুৰী আছে। অনেক মানুহে তালৈ গৈ নিজ আহাৰ ভক্ষণ কৰি মুখ পখালিছে। আমিয়ো পানী খাবৰ ইচ্ছাৰে তালৈকে গলোঁ। প্ৰথমে ঘাটৰ সন্মুখতে কেইজোপামান গছ, তাৰ পাছত শিলেৰে পানীৰ জুৰুলী-লৈকে বন্ধা খট্‌খটি দেখা পালোঁ। পুখুৰীটিয়ে প্ৰায় দহ পুৰা মান মাটি জুৰি আছে। চাৰিও ফালে নলেৰে বেৰা; কোনোজোপাই মূৰ দোৱাই জলদেৱক সেৱা কৰিছে। কোনেজোপাই অৰ্দ্ধ অঙ্গ ডুবাই তাপিত



দেহ শান্ত কৰিছে। আহা, দেখিলে মনত কেনে ভাৱৰ উদয় হয়! এই পুখুৰীকে "আকাশী গঙ্গাও" বোলে। ইয়াক কোনে খনাইছিল আমি কব নোৱাৰোঁ। প্ৰবাদ আছে যে মহাত্মা মহাপুৰুষ শঙ্কৰদেৱে ভক্তসকলৰ পানীৰ দুখ দেখিব নোৱাৰি দিনত যি ঠাই ডোখৰত পুখুৰী হলে সকলোৰে সুবিধা হব বুলি ঠিক কৰি আহিল, পাছ দিনা পুৱা সেই ঠাইতে এই পুখুৰী দেখিবলৈ পায়। আৰু এটা প্ৰবাদ আছে যে এই ঠাইতে বোলে এজোপা বটগছ আছিল, আৰু ইয়াৰ ঠাল পাতে যিমান ঠাই জুৰিছিল তিমানলৈকে এই পুখুৰী হয়। ইয়াৰ প্ৰমাণ বৰদোৱা এই নামটোৱে দিয়ে, কাৰণ বটগছ দ্ৰৱ হোৱা গতিকে বৰদোৱা নাম হোৱা বৰ সম্ভৱ। যদিও এই পুখুৰীত শিৱসাগৰৰ বৰপুখুৰীৰ দৰে যত্ন কৰি শোভা বঢ়াবলৈ যত্ন কৰা নাই তথাপি ইয়াত সৌন্দৰ্য্য-দেৱীয়ে আপোনাআপুনি কেনেকুৱা শোভা ধাৰণ কৰিছে তাক নেদেখাজনে অনুভৱ কৰিব নোৱাৰে। দেখাজনেও ভাষাত প্ৰকাশ কৰি কিম্বা লিখি আনক ভাগ দিবলৈ টান পৰে। যদি কোনোবাই কল্পনাত এনে এটি পুখুৰী খানিব পৰে, যাৰ চাৰিও পাৰে আপোনাআপুনি হোৱা নল খাগৰিৰ বেৰ, যত পদুমৰ চকা, ফুল, খোপা-কাল, ভোমোৰাৰ গুণ গুণ শব্দ, কণামুছৰীয়ে থৰ লাগি পানীত নিজৰ মুখ চোৱা, কান-চৰাইৰ পাখীৰ জিলমিলনি, ডাউকৰ মাত, আৰু নানাবিধ মাছৰ খেল। আছে, তেওঁৱেই এই পুখুৰীৰে শোভা অনুভৱ কৰিব পাৰে। মই পুখুৰীৰ শোভা চাই থৰ হলোঁ, পানী খাবলৈ পাহৰি গলোঁ। মোৰ লগৰ বন্ধু কেজনে টপাটপ নামি গৈ পানী খাই আহি, মোক আহাঁ বুলি মাত লগালে। তেতিয়াহে মোৰ পানী খাবলৈ মনত পৰিল। তেতিয়া মই মুখ ধুই একাঞ্জলি পানী খাই উঠি আহিলোঁ। আমি কেউজন গোটগাই আকৌ বাটচৰাৰ কাষ পালোঁহি। তাৰপৰা নাম-ঘৰত ভকতসকলে কৰতালি দি নাম গোৱা শুনিলোঁ। নাম গোৱা শুনি শেষত নাম-ঘৰত সোমাবৰ ইচ্ছা হল, কিন্তু লগৰ কেইজন এই মতত অমান্তি হোৱাত নাম-ঘৰ চোৱা আশা পৰিত্যাগ কৰি দৌল চাবৰ নিমিত্তে দৌলৰ ফাললৈকে যাত্ৰা কৰিলোঁ।

বাট-চৰাৰপৰা উত্তৰ-পূব মূৱা হৈ আধা মাইল মান গৈ কিছুমান গছ

গছনি দেখা পালোঁ, লাহে লাহে সেই গছ-গছনিৰ কাষ পালোঁগৈ। এয়ে দৌল বুলি লগৰ বন্ধু এজনে মোক জাননী দিলে। দৌল বে দৌল হে। প্ৰায় আধা হালিচামান মাটি জুৰি বহ বাৰ হাত মান ওখ চাৰিও ফালে সৰু বৰ নাহৰ গছেৰে আবৃত এটা ভেটি, তাৰ ওপৰত সৰু ৫টা গোসাঁইঘৰ। গোসাঁইঘৰ কেইটিৰ চাৰিওফালে দুই চাৰি জোপা জাই মালতী ফুল আছে। ঠাই ডোখৰ দেখিবলৈ আৰু থাকিবলৈ বেয়া নহয়। সমুখত আকাশৰ নীলা-আৱৰণেৰে লাগি থকাকৈ বহল শস্যক্ষেত্ৰ; কাষত মন্দিৰ সদৃশ নাহৰ। এই দৌললৈ উঠিবৰ হলে শিলৰ খট্‌খটিয়েদি উঠিব লাগে। তিৰোতা মানুহ ইয়ালৈ উঠিবলৈ মানা। মতা মানুহে ইচ্ছা কৰিলে ওপৰলৈ উঠি গৈ চাব পাৰে। ময়ো ওপৰলৈ উঠি চাবৰ ইচ্ছা কৰি বলেৰে লগত দুজন বন্ধুক তুলি নিলোঁ। বাকী দুজনক নিব নোৱাৰিলোঁ—কাৰণ তেওঁলোকৰ ভৰিত জোতা আছিল। আমি ওপৰলৈ উঠি গৈ প্ৰত্যেকে একোটি পছৰ পাত চিঙ্গি লৈ জেপৰপৰা একোঅনা পইচা উলিয়াই দুয়োটি নাম ঘৰৰ পিৰালিত দি সেৱা কৰিলোঁ। শেষত দুয়োটি নামঘৰৰপৰা দুজন উদাসীন ভকতে আহি আমাক প্ৰসাদ দান কৰিলেহি। আমিও প্ৰসাদ শিৰত লৈ তাত নেথাই টোপোলা বান্ধি লৈ তললৈ নামি আহিলোঁ। লগৰ দুজনকো প্ৰসাদৰ ভাগ দি, দৌলৰ চাৰিও ফালে ফুৰি শোভা দৰ্শন কৰি, প্ৰসাদ ভক্ষণ কৰিলোঁ। আহা কি ৰমণীয় স্থান! চাৰিও কাষে নাহৰ গছে বেৰা; প্ৰত্যেকজোপা নাহৰেই যেন একোটা প্ৰাকৃতিক মন্দিৰ।

এই দৌলত আৰু একো ধুমধাম দেখা নেপাই মই মোৰ লগৰ বন্ধু কেজনক সুধিলোঁ; ইয়াত কি কৰে? তেওঁলোকে মোৰ প্ৰশ্ন শুনি কলে, ইয়াত শ্ৰীকৃষ্ণৰ দুটি শিলৰ প্ৰতিমূৰ্ত্তি আছে, সেই মূৰ্ত্তিকে আগত ৰাখি ভকত সকলে নাম কীৰ্ত্তন কৰে। তেওঁলোকৰ কথা শুনি মই আকৌ সুধিলোঁ, কতা এতিয়া দেখোন নাম কীৰ্ত্তন কৰা নাই এক? মোৰ কথা শুনি তেওঁ-লোকে আকৌ কলে যে এতিয়া সময় নহয়, পূবা প্ৰায় ৯।০ মান বজাত হে নাম গায়; ফাকু খেলে, আৰু গোসাঁইৰ গাৰ ফাকুও বিতৰিত হয়। তেতিয়া মোৰ মনৰপৰা গাত বং লোৱা ভয় দূৰ হল। কাৰণ মোৰ ভয় আছিল কি, আমি ঘৰত ফাকুৰ খেল কৰাৰদৰে গোবৰ পেবেকানিৰ বোকা



ইত্যাদিৰে ফাকুৰ খেল কৰে বুলি। কিন্তু ইয়াৰ ফাকু খেল তেনে নহয়, ইয়াত অকল ফাকুৰেহে খেলে, আনৰ খেল নাই, থাকিলেও সেই এক নামৰ খেল হে আছে। ফাকুও ছটিৱা, নহয়, মাথোঁ গোসাঁইৰ গাৰ ফাকু কপালত সানি দিয়ে, তাকে লবলৈ ইচ্ছা কৰোতজনক হে। পাঠক, কোনোবাই যদি নিজৰ ঠাইৰ দৰে, বা নিজৰ লৰালিৰ ফাকু খেলৰ দেমালি যেন, বৰদোৱাৰ ফাকু খেল বুলি ভাবিছে, তেন্তে তাক সোনকালে মনৰপৰা দূৰ কৰক॥ মনৰ সন্দেহ পৰিত্যাগ কৰি আজি বৰদোৱাৰ নৱপ্ৰবাহৰ সোতত এবাৰ সাতোৰ মেলি মনৰ আনন্দত হৃদয়ত শান্তিৰ বীজ ৰোপণ কৰি যাওঁকহি।

ইয়াৰ পাছত দৌলৰপৰা নুৰি আকৌ নামঘৰৰ ফালে আহি মানুহেৰে ভেজ ঠাই থকা ঠাই ডোখৰ পালোঁহি। ইয়াত মতা তিৰোতা ডেকা গাভৰু চোৰ ডকাইত লৰা ছোৱালী ভদ্ৰ অভদ্ৰৰ লেখ জোখ নাই। অহা আহিছে যোৱা গৈছে। ইয়াৰ মাজেদি ঠেলা হেচা খাই কোনোমতে আকৌ বাট-চৰাৰ মুখ পালেঁাগৈ। নামঘৰত আবেলি প্ৰসঙ্গ আৰম্ভ হৈছে। মই নাম ঘৰলৈ যাবৰ ইচ্ছা প্ৰকাশ কৰাত এইবাৰো লগৰ কেজন অমান্তি হয়, মই সাহ কৰি অকলৈয়ে নামঘৰৰ কাষ পালোঁগৈ। বন্ধু কেজনেও সেই মানুহে গেজথাই থকা বাট ডোখৰত কেসাতোৰ মান ভালকৈ দিলে! ঠেলা হেচাত বোলে এওঁলোকৰ গা নিবিষায়। সি হেনো সোৱাদ, থমা লৈ গাখীৰ হে।

মই অকলৈয়ে ভয়ে ভয়ে গৈ নামঘৰৰ পিৰালিত এটি সেৱা কৰি ভিতৰলৈ সোমালোঁ। ভিতৰত ভকতসকলৰ নামৰ ধ্বনিত কি এটা ভাবৰ উদয় হল কব নোৱাৰোঁ, ততালিকে মাটিত লেপেতাকাঢ়ি বহি পৰিলোঁ। সিফালে প্ৰত্যেকজন ভকতে নামৰ তেজত তেজো হৈ দুগুণ উৎসাহেৰে নাম গাব লাগিছে. আমালৈ কোনে চায়। মই তাত নাম শুনি বহি থাকোতেই হৃদয়ত জানো কি এটা ভাবৰ উদয় হল কব নোৱাৰো, দুই চকুৰেদি দুধাৰ চকুলো বৰলৈ ধৰিলে। পাপীৰ দুৰ্ব্বলতা তাতেই প্ৰকাশ পায়। মোৰ পপীয়া মনে নামৰ ধ্বনিতো থিৰে থাকিব নোৱাৰি, বেলি হল বুলি নিজক নিজে কৈ থাপনাৰ ফালে সেৱা কৰি মোক ওলাই আহিবলৈ বাধ্য কৰিলে। আহা কি শান্তিৰ আলয়! ভিতৰত সোমোৱা মাত্ৰে কিযে

এক শান্তিৰ ভাৱ উদয় হয়। পাঠক যদিও তুমি চোৰ, ডকাইত, বা ঘোৰ পাপী হোৱা তথাপি এবাৰ নিজে নাম গাব নেজানিলেও নামঘৰত সোমাই চোৱা, ক্ষন্তেকৰ নিমিত্তে তোমাৰ মনত কি ভাবে ঠাই লয়হি। সেই দিনাই মোৰ মনত থিৰ হল যে বাস্তবিক নামঘৰ শান্তিৰ আলয়।

নামঘৰৰপৰা ওলাই ইকালে সিকালে চাই পদশিলা-ঘৰটি দেখা পালোঁ। এই ঘৰটি বৰ সুন্দৰ, ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ প্ৰিয়তমা পত্নী ৺বিষ্ণুপ্ৰিয়া দেৱীয়ে দান কৰিছিল। পদশিলা মানে মহাপুৰুষৰ পদ চিহ্ন। কীৰ্ত্তনঘৰ আদি অনেক ঘৰ চাই চকুৰ তৃপ্তি লাভ কৰিলোঁ। আহা কেনে শান্তিময় স্থান! কীৰ্ত্তনঘৰ দেখিলে মন প্ৰাণ হৰি নিয়ে। যদি কোনোবাই অসমীয়া চিত্ৰকৰৰ ছবি চাই আনন্দ উপভোগ কৰিব খুজিছে, যদি কোনোবাই সংসাৰৰ বিষময় পোৰণিত পুৰি দেই মৰি শান্তিৰ শীতল পানী বিচাৰিছে, যদি কোনোবাই কঠোৰ বিপদত পৰিত্ৰাণ পাবলৈ ইচ্ছা কৰিছে, তেন্তে তেওঁ এবাৰ সভক্তিনেত্ৰে বৰদোৱাত সোমাই, শ্ৰবণ শক্তি বৃদ্ধি কৰি, ভক্তবৃন্দৰ নামেৰে ধৌত কৰি গাৰ পাপ মলি উটাই হৃদয়ত শান্তিৰ বীজ পচাই লৈ আহকগৈ। আহা কি নামৰ ধ্বনি! শুনোতাৰ হৃদয়ত থকা পাপৰ পোনাটিয়ে কটা ঘাট খাৰণিৰ ছিটা পৰা দৰে চট্‌ফট কৰি মৰিবলৈ ওলায়; পুণ্যৰ পোনাটিয়ে আনন্দনেত্ৰে সহাস্যবদনে দুগ্ধ পান কৰা দৰে নামৰস পান কৰি হৰিধ্বনিত উত্ৰাৱল হয়। সন্ধ্যা থানৰ শংখ ঘণ্টাই পুৱা গধূলি চিয়ঁৰি ডাকিবৰ লাগিছে, হেৰা কণামুৰি লগা পথিকজন, আহাঁ, বাট চিনি লোৱাঁহি। কেনে শান্তিময় স্থান, যত শত্ৰু, মিত্ৰ, সকলো মিলি হৰিনামত মতলীয়া। হেৰা মদগৰ্ব্বীজন, যোৱা এবাৰ "হাম বৰা" ভাৱ লৈয়ে পদূলিত থিয় হোৱাঁগৈ, বুজিবা তোমাতকৈ এজন আৰু ডাঙৰ আছে সকলো তেওঁৰ সৃষ্ট, সকলো তোমাৰ ভাই, তুমিও সবাৰো ভাই।

লাহে লাহে বেলি বহিবৰ সময় হল, আমাৰো ঘৰলৈ যাবৰ সময় পালেহি। নামঘৰটো ডবা, শংখ কাঁহ আদিয়ে—নাম লোৱাঁ, নাম লোৱাঁ বুলি চিঞৰিবলৈ ধৰিলে। ময়ো লাহে লাহে বন্ধু কেইজনক বিচাৰি লৈ গাড়ীত উঠিলোঁ। ডবা কাঁহৰ ডাকৰ লগে লগে, "হৰি বোল, কি মধুৰ, কি মধুৰ, কি মধুৰ। মধুময় হৰিৰ নামে প্ৰাণ মন কৰে জুৰ॥" এই হৰি সংকীৰ্ত্তনটি নিফুট সুৰেৰে হৃদয়ত বাজিবলৈ ধৰিলে। লাহে লাহে আকাশত চন্দ্ৰদেৱ উদয় হল। সুধাকৰৰ অনুগ্ৰহত সুধাময় কিৰণ পোৱাৰ দৰে যাৰ অনুগ্ৰহত আজি ভক্তবৃন্দই হৰিনাম ৰস পান কৰিছে, সেই প্ৰাতঃস্মৰণীয় মহাত্মা যেন কি এক অপূৰ্ব্ব সুখপূৰ্ণ আকাশত জিলিকিব লাগিছে। আহা তেওঁৰ জ্যোতি নামৰ ধ্বনিত প্ৰকাশ পাইছে। অহা নামত কি শান্তি!



এনেবোৰ ভাবি আহোঁতে আহোঁতেই ঘৰৰ কাষ পালোঁহি। পদীয়া জীৱনত সেই দিনাখন আকাশৰ চন্দ্ৰ ৰুমা মাৰলিত পৰিণত হল। আজিও সেই ৰুমা মাৰলি আছে, কিন্তু কল্পনাৰ গগনচন্দ্ৰ নাই। সংসাৰ-ক্ষেত্ৰত পৰি বহু পৰ ঘুৰ খালোঁ, সেই কল্পনাগগনৰ চন্দ্ৰটি জিনিকি জিনিকি চকামকাকৈ চকুত পৰে।

শ্ৰীপুলেশ্বৰ মহন্ত।

---

# ব্ৰহ্মাৰ মুখে তন্ত্ৰৰ ব্যাখ্যা।

অসুৰ জাতিবিলাকৰ ভিতৰত অনেক প্ৰবল পৰাক্ৰান্ত বীৰ আৰু ৰজা আছিল। সময়ে সময়ে সিহঁতৰ ভিতৰৰ একোএকোটি অসুৰে যেতিয়া দেৱতাবিলাকৰ অৱস্থা বৰ দুখত পেলোৱা কৰিছিল সেই সময়ৰ এটি ঘটনা লৈ তন্ত্ৰৰ শক্তিপূজাৰ সৃষ্টি। শক্তি পূজা মানে যে, একতাক আহ্বান কৰি অনাৰ উদ্দেশ্য, আজিকালিৰ আমেৰিকা যুক্তৰাজ্যৰ কংগ্ৰেচৰ দৰে বা বিলাতৰ পাৰ্লিয়েমেণ্টৰ দৰে দেৱতাসকলে অসুৰবিলাকক দমন কৰাৰ নিমিত্তে একেযোগে মিলি মন্ত্ৰণা কৰা এই কথাৰ অলপো ভুল নাই। তাৰ প্ৰমাণ চণ্ডীৰ এটা ৰূপক আখ্যায়িকাৰ ব্যাখ্যা কৰি বুজাই কওঁ। হিন্দুৰ আৰ্য্যবিলাকে নিজক সুৰ বুলিছিল; তাৰ বাহিৰে আন জাতিবিলাকক অসুৰ নাম দিছিল। এসময়ত অসুৰ বলাকে সুৰ বা দেৱতা আৰ্য্যবিলাকক উপদ্ৰৱ কৰোঁতে দেৱতাবিলাকে অসুৰসকলক দমন কৰাৰ উপায় নাপাই ইন্দ্ৰকে আদি কৰি তেত্ৰিশ কোটী দেৱতাই এঠাইত বহি অসুৰক কিৰূপে বিনাশ কৰি সিহঁতৰ উপদ্ৰৱৰপৰা ৰক্ষা পোৱা যায়

তাকে আলচ পাতিছিল। এই আলচ পতাটিয়েই সকলোৰ ভিতৰত একতাৰ শক্তি সঞ্চাৰণ কৰিলে। এই একতা-শক্তিকে পুৰাণত ৰূপকভাৱে এনে বৰ্ণণা কৰা আছে যে কোনো দেৱতাৰ তেজৰ ( বুদ্ধিৰ ) পৰা দুৰ্গাদেৱীৰ মুৰটি ( চিন্তা ) সৃষ্টি হল, কোনো দেৱতাৰ তেজৰপৰা ভগৱতীৰ বুকু হল ( সাহ ), এই দৰে কোনো দেৱতাৰ তেজৰপৰা মুখ আৰু কোনো দেৱতাৰ তেজৰপৰা হাত ভৰি ইত্যাদি নানা অঙ্গ প্ৰত্যঙ্গ অস্ত্ৰ সমূহে সৈতে দেৱীৰ সম্পূৰ্ণ উৎপত্তি হৈ দেৱীয়ে যুদ্ধ কৰি অসুৰবিলাকক সংহাৰ কৰি দেৱতাসকলক সিহঁতৰ উপদ্ৰৱৰপৰা ৰক্ষা কৰিলে। ইয়াকেই বোলে শক্তি পূজা। এনে শক্তি পূজাৰপৰাই যেই সেই জাতি বলশালী হৈ পৰে ; কিয়নো যি কোনোজাতি একেমুঠীয়া হলেই অসীম শক্তি লাভ কৰি মহাবলৱান হৈ উঠে। তন্ত্ৰ ধৰ্ম্মৰ সাধনাৰ প্ৰতি দকৈ গমি দেখিলে মানুহে কি চুকি পায় ? কেৱল নিৰ্ভিকতা মাত্ৰ। পৃথিৱীত মানুহৰ ভিতৰত ধৰ্ম্মৰ একেটি ভাৱতেই দুটি বেলেগ ঠাল আছে, অথচ দুটিয়েই এক। বৈষ্ণৱ আৰু শক্তি দুইটিৰেই মূল উদ্দেশ্য আত্মৰক্ষা কৰা; আৰু এটিৰ অভাৱত অনটিৰ অধঃপতন বা বিনাশ হোৱা ধৰাবন্ধা কথা। শ্ৰীকৃষ্ণৰ বৈষ্ণৱ ধৰ্ম্মৰ অন্তৰ্গত বৌদ্ধধৰ্ম্ম, খৃষ্টধৰ্ম্ম আৰু ইস্লাম বা মুচলমান ধৰ্ম্ম এই কেউটি নাম দিয়া ধৰ্ম্মকেই বৈষ্ণৱ ধৰ্ম্ম বোলা যায়। এই বৈষ্ণৱ ধৰ্ম্মৰ মূল উদ্দেশ্য হৈছে জগতত শান্তি ৰাজ্য স্থাপন কৰি জীৱত দয়া আৰু মানুহত প্ৰেমক দকৈ পোতা। এই প্ৰেমেই হৈছে একো ভুল নথকাকৈ ঈশ্বৰৰ আহি। ঈশ্বৰ প্ৰেমময় দয়াময় কিন্তু ন্যায়বান। যি ন্যায়বান তাত যুক্তি আৰু বিচাৰ-হীন প্ৰেম বা দয়া কেতিয়াও থাকিব নোৱাৰে। সেই নিমিত্তে ঈশ্বৰক এপিনে যেনে প্ৰেমময় দয়াময় দেখা যায় আন পিনে নিষ্ঠুৰ বা "ভয়ানাং ভয়ং ভীষণং ভীষনাণাং" অৰ্থাৎ ভয়ঙ্কৰতকৈও ভয়ঙ্কৰ দেখা যায়। ওপৰত কোৱা ন্যায়ৰ ওপৰত থিতাপি ঈশ্বৰৰ এই ভয়ঙ্কৰ স্বৰূপটিয়েই হৈছে মূলত তন্ত্ৰৰ আহি।

কোনো জাতি বা মানুহেই ন্যায়ত থিতাপি দিব নোৱাৰিলে কেতিয়াও ধৰ্ম্ম ৰক্ষা কৰিব নোৱাৰে যে ধ্ৰুৰূপ কথা। যেই সেই মানুহ বা জাতিয়েই ন্যায়ৰ গুৰি দকৈ পুতিবৰ হলে কেৱাৰে ভয় নকৰা অৰ্থাৎ সত্যক ডাঠকৈ আশ্ৰয় পতা হব লাগে ; এই কাৰণে যেই সেই জাতি বা মানুহে এই বেলা



সকলো ঈশ্বৰত অৰ্পণ কৰি ঈশ্বৰৰ শৰণীয়া হব লাগে। ঈশ্বৰৰ শৰণীয়া হবলৈ বৈষ্ণৱ সাধনা কৰি কোনো মানুহে বা জাতিয়ে সিদ্ধিলাভ কৰিব লাগে। কিন্তু ন্যায়ৰ হে ঈশ্বৰ, এই ন্যায়ক পাবলৈ হলে কোনো মানুহ বা জাতিয়ে আগতে নিৰ্ভীক হবলৈ সাধনা কৰিব লাগে। বৈষ্ণৱ আৰু শাক্ত সত্যক বিচাৰি চালে দুয়ো একে ধৰ্ম্ম, একো বেলেগ নাই ; কিন্তু যি ন্যায়বান হব নোৱাৰে সি কেতিয়াও বৈষ্ণৱ হব নোৱাৰে ; যি নিৰ্ভীক হব নোৱাৰে সি ন্যায়বান কেতিয়াও হব নোৱাৰে। এই নিমিত্তে দেখা যায় বৈষ্ণৱ সাধকৰ তপস্যা প্ৰলোভনৰূপী চৈতান, মাৰ বা অবিদ্যাই মূৰ্ত্তিমান হৈ তপস্যাভঙ্গ কৰিবৰ চেষ্টা কৰে অৰ্থাৎ সেই সাধকে প্ৰলোভনক অতিক্ৰম নকৰি নিজে আত্মোন্নতিৰ খলাত উঠিব পাৰিছে নে নাই তাকেই পৰীক্ষা কৰা হয়। সাহ আৰু বীৰত্ব যাৰ আছে তেওঁৰেই হে প্ৰলোভন বা চৈতানক জয় কৰিব পাৰে। প্ৰকৃত বৈষ্ণৱ হবলৈ গলে আগতে সাহ আৰু বীৰত্ব লাভ কৰা ঠিককৈ হৈছে নে নাই তাৰ পৰীক্ষাত উঠিব লাগে। এই গতিকে যাৰ স্বাভাৱিকতে সাহস আৰু বীৰত্বৰ অভাৱ তেওঁৰেইহে পোনতে তান্ত্ৰিক মতে তপ কৰি সাধনাত সিদ্ধিলাভ কৰিব লাগে। এই হেতুকে তান্ত্ৰিক তপস্বীয়ে আত্মপৰীক্ষা কৰিবৰ নিমিত্তে মানুহৰ শৱৰ ওপৰত আৰু নিৰ্জন মৰিশালিত বহি তপস্যা কৰাৰ বিধি। এক প্ৰকাৰ শৱ সাধনাৰ নিয়ম চামুৰাই (ক্ষত্ৰিয়) বিলাকৰ ভিতৰত আগানত প্ৰচলিত আছে,—বহু দূৰত মৰা মানুহ এটিৰ শৱ ৰাখি থোৱা হয়, ঘোৰ এন্ধাৰ নিশা অধ্যাপকে ছাত্ৰক পঠাই তাৰ সাহসৰ পৰীক্ষা লোৱাৰ কাৰণে সেই শৱটিত কিবা এটি চিন ৰাখি থোৱা হয়। তাকে যি ছাত্ৰই লৈ আনি অধ্যাপকৰ হাতত দিবহি তেওঁৱেই শৱসাধনাৰ খলাত উঠে। ভাৰতৰ আৰ্য্যজাতিকো সাহসী কৰাৰ কাৰণে এই শৱ সাধনাৰ ব্যৱস্থা তন্ত্ৰতে প্ৰবৰ্ত্তিত হয়। যেনেকৈ বৈষ্ণৱ সাধকে প্ৰলোভনক জয় কৰি উঠিব পাৰিছে নে নাই তাৰে পৰীক্ষা অবিদ্যা চৈতান বা মাৰে লৈ সাধকৰ তপস্যাভঙ্গ কৰিবৰ চেষ্টা কৰেহি তেনেকৈ তান্ত্ৰিক সাধককো তেওঁ নিৰ্ভীক হব পাৰিছেনে নাই তাৰ পৰীক্ষা তেওঁ শৱ সাধনা বা শ্মশান সাধনাত বহোঁতে ভয়ঙ্কৰ বিভীষিকাবিলাকে, যেনে বাঘ, ভালুক, সাপ, যোগিনী, ডাকিনী শাকিনী আদি আৰু ভূত প্ৰেতবিলাকে লয়হি। এইবিলাক

ৰঙ্গ যে মূৰ্ত্তিমান হৈ বাহিৰত তান্ত্ৰিক সাধকক দেখা দিয়েহি এনে নহয়, তেওঁৰ অন্তৰত দেখা দি তপোভঙ্গ কৰিবৰ চেষ্টা কৰেহি। এনে সাধনাৰ মহলাত যি তন্ত্ৰিক সাধক উঠিব পাৰে তেওঁৱেইহে প্ৰকৃত বৈষ্ণৱ হৈ পৃথিৱীত প্ৰেমৰ ৰাজ্য পাতিব পাৰে। প্ৰেমৰ ৰাজ্য সাদায় ন্যায়ৰ ওপৰত থিতাপি। যি মানুহ বা জাতিৰ সাহ নাই সি কেতিয়াও ন্যায়ক ৰক্ষা কৰি প্ৰেমৰ ৰাজ্য পাতিব নোৱাৰে যে এই কথা আগতে এবাৰ কোৱা হৈছে। সাহ দুবিধ, সৎ আৰু অসৎ। এই দিনিতে সৎসাহসকেইহে কোৱা হৈছে। মানুহ পৃথিৱীত দুটি কথাই জীয়াই ৰাখি মানৱলীলা কৰায়, সাহ আৰু ভৰসা— এই দুইটিকেই বিনা শিক্ষা বা সাধনাত মানুহে কেতিয়াও পাব নোৱাৰে। এপিনে সংসাৰ আন পিনে ঈশ্বৰ। সাহ সংসাৰ, ভৰসা ঈশ্বৰ। এই দুটিৰ ভিতৰতএটিৰ অভাৱত আনটি শুকাই পৰে, এই নিমিত্তে তন্ত্ৰ শাক্তৰ, উপনিষদ ব্ৰহ্মজ্ঞানশাস্ত্ৰ বৈষ্ণৱৰ।

শাক্ত ক্ষত্ৰিয়, বৈষ্ণৱ বামুণ, এই দুইটি কোনো এটি জাতিৰ ভিতৰত সমান ভাৱে উঠিব নোৱাৰিলে কেতিয়াও জাতীয়জীৱন গঠন হ'ব নোৱাৰে যে সি নিৰ্ভুল সত্য। উপনিষদ আদি ব্ৰহ্মজ্ঞান তন্ত্ৰ শাস্ত্ৰৰ দুটি ভাব, এটি জ্ঞানৰ আনটি কৰ্ম্মৰ। এই দুটি প্ৰবৃত্তি নিবৃত্তিৰ ক্ৰিয়াৰ ধৰ্ম্ম পৃথক পৃথক। প্ৰবৃত্তি কাৰ্য্য সৃজন কৰা Constructive, নিবৃত্তিৰ কাৰ্য্য ৰক্ষা কৰা protective; এই নিমিত্তে কৰ্ম্মই ঘৰঁপিহা নকৰাকৈ থাকিব নোৱৰা হেতুকে কৰ্ম্মক্ষেত্ৰ যুদ্ধক্ষেত্ৰ। জীৱন কেৱল যুদ্ধময়, যদি কোনো মানুহ বা জাতি পৃথিৱীত জীয়াই থাকিব খোজে তেনে হলে যুদ্ধ কৰিবলৈ নিপুণ হবই লাগিব, এই কাৰণে তন্ত্ৰ শাস্ত্ৰৰ অন্তৰ্গত বৈদ্য শাস্ত্ৰ ৰসায়নশাস্ত্ৰ আৰু কলাবিদ্যা প্ৰভৃতি একে ঠাইতে ৰাজনীতি ৰণকৌশল আৰু নীতিৰে সৈতে ভুক্ত কৰা হৈছে। উপনিষদৰ অন্তৰ্গত যি তন্ত্ৰশাস্ত্ৰ তাক বৰ্ত্তমান ভাৰতবৰ্ষৰ বঙাল হিন্দুজাতিয়ে নচলাই, অসুৰৰ ৰামানয় শাস্ত্ৰ চলাইছে।

তন্ত্ৰ মানে,—তন্ত্ৰ ধাতু, বিস্তাৰ কৰা, অৰ্থাৎ যাৰ বন্ধাConstitution, যেনে ৰাজাতন্ত্ৰ প্ৰজাতন্ত্ৰ বা সাধাৰণতন্ত্ৰ ইত্যাদি। যেতিয়া বৌদ্ধধৰ্ম্মৰ ইহঁত বিলাকক অসাৰ কৰি নিৰ্ব্বানত লাভ কৰাৰ উপদেশ, আনপিনে শঙ্কৰাচাৰ্য্যৰ



মায়াবাদ দুয়ো লগ লাগি ভাৰতৰ হিন্দু বংশৰ জাতিক বঙাল কৰি অধোমুখি কৰালে অৰ্থাৎ জাতীয় শক্তি ধাতু ( National vitality by and by sapped) ক্ৰমে ক্ষয় কৰিবলৈ ধৰিলে; সেই সময়ত যেতিয়া হুন, শক আৰু [illegible] জাতিবিলাকে ভাৰতবৰ্ষ আক্ৰমণ কৰিবলৈ ধৰিলে তেতিয়া অসাৰ হোৱা হিন্দু জাতিক পুনৰ ওপৰলৈ তোলাৰ কাৰণে ব্ৰহ্মাই বোলে মই তন্ত্ৰ বিধান সেই সময়ত ভাৰতৰ হিন্দু জাতিৰ ভিতৰত প্ৰবৰ্ত্তন কৰিলোঁ। ইয়াৰ মূল উদ্দেশ্য ভাৰতৰ হিন্দু আৰ্য্য জাতিৰ ক্ষত্ৰিয়শক্তিক পুনৰ উত্থান কৰা যে তাৰ ভুল নাই। এই বেলি এবাৰ নন্দ বংশৰ ৰজাবিলাকৰেপৰা গুপ্ত বংশৰ বিক্ৰমাদিত্য শিলাদিত্য ৰজাকে আদি কৰি অনেক ৰজাই মোৰ তান্ত্ৰিক বিধান মতে চলি ভাৰতৰ প্ৰায় সুমাও সুমাও হবলৈ ধৰা [illegible] আকৌ অলাই তোলালে হয়, কিন্তু আনপিনে ব্ৰাহ্মণ প্ৰাধান্য এনে বৃদ্ধি পাই উঠিল যে বামুণে ভাগ ভাগকৈ জাতি ভেদ লগাই ৰাজ্যময় নিজে সৰ্ব্বেসৰ্ব্বা হৈ উঠিল। আগেয়ে বামুণ আছিল গুণগত, এইবেলা বামুণ হল জাতিগত। "অবিদ্যো বা সবিদ্যো বা ব্ৰাহ্মণঃ মামকাতনু" এনে দৰে আন জাতিবিলাকক ফাকি দি বামুণে যেতিয়া গুণ নথকা থলতো নয়গুণৰ চিহ্নতালি সূত্ৰ লগুণক পৈত্ৰিক সম্পত্তি পাতি পেলালে আৰু আনপিনে মোৰ তান্ত্ৰিক বিধানক আৰু তাৰ ৰূপক সঙ্কেতবিলাকক একো একোটি দেৱ দেৱীৰ মূৰ্ত্তি সাজি ৰামানয় শাস্ত্ৰৰ লগত ভাঁজ দি অতি প্ৰাচীন কালৰ আৰব, এচিৰিয়া, চিৰিয়া আদি অসুৰ জাতিৰ আৰু মিশ্ৰ বা মিছৰ জাতিৰ লিঙ্গ যোনীৰ উপাসনাৰ পীঠ পাতি অনেক অনেক দেৱালয় সৃষ্টি কৰি যেতিয়া বামুণে গোটেই ভাৰতবৰ্ষময় ধৰ্ম্মৰ দোকান পাতি থানে থানে তান্ত্ৰিক পূজা বিধি লিখি দেৱ্যুবাচ, মহাদেৱোবাচ আৰু পাৰ্ব্বত্যোবাচ ইত্যাদি শ্লোক লিখি অনেক তন্ত্ৰ শাস্ত্ৰ, সঁচাৰ লগত মিছাৰ ভেজাল দি [illegible] কৰি প্ৰচাৰ কৰিলে আৰু যেতিয়া এইবিলাক তন্ত্ৰ শাস্ত্ৰ প্ৰচাৰ হৈ ভাৰতবৰ্ষৰ হিন্দু আৰ্য্য জাতিৰ ভিতৰত দেশক তললৈ নিয়াকৈ নানা [illegible] ব্যভিচাৰ দোষ সোমাই ভাৰতৰ হিন্দু জাতিক অধোগতি নিয়ালে তেতিয়া [illegible] মই, একেশ্বৰবাদী মুচলমান জাতিৰ অধীন কৰালোঁ। লিঙ্গ যোনীৰ উপাসনাৰ লগত কামদেৱ ( Cupid ) পূজাৰ যোগ থাকিবই

থাকিব যে ই স্বাভাবিক, এনেবিলাক দেৱতাৰ পূজা যি দেশ বা জাতিৰ ভিতৰত সোমায় সেই দেশ বা জাতিত ব্যভিচাৰ দোষ নোসোমাই নোৱাৰে। মানুহে কিয় পোন বাটে নগৈ বেকা বাটে যাব খোজে? মোক পাবলৈ অতি সহজ; মই সকলো জীৱৰ লগতেই আছোঁ। মানুহৰ অজ্ঞানতা এনে যে মানুহে নিজৰ ভিতৰতেই ঈশ্বৰ থকা বুলি নুবুজে, গান্ধকলায় পহুৰ লগতে কস্তুৰী থাকিও পহুৱে তাৰ একো গোন্ধ নোপোৱাৰ দৰে মোৰ গম নাপায়। আৰু মানুহে যে মোৰ তত্ত্ব বিচাৰি ফুৰি তাৰ ভিতৰত কোনো কোনো জনে মহা জ্ঞানী মহা পণ্ডিত হৈ এনে অহঙ্কাৰ কৰি কয় যে ঈশ্বৰ নাই, পৰমাণু বা প্ৰকৃতিয়েই সে সৃষ্টি কৰ্ত্তা। গমি চাচোন কমলাকান্ত, তোক যে মই সৃজিছোঁ, তোৰ আকৃতিৰে, তোৰ সুৰেৰে মাত মতা, তোৰ ভাবেৰে ভাবুক, তোৰ চিন্তাৰে চিন্তা কৰা, তোৰ খোজেৰে খোজ কঢ়া, আন কি তোৰ আখৰৰ দৰে আখৰ লিখা আন এটি মানুহ মানৱ সৃষ্টি হোৱাৰ দিনৰেপৰা হোৱা নাই আৰু নহবও, এই দৰে আন এটি মানুহো হোৱা নাই আৰু নহব। দিনো নন আকৃতিৰে নন ধৰণেৰে মানুহ আৰু কীটানু পৰ্য্যন্ত প্ৰাণীবিলাকক এই দৰে মই নন সাঁচত গঢ়িবই লাগিছোঁ তাৰ সংখ্যা মানুহৰ জ্ঞান বুদ্ধিৰ অগোচৰ, এই কাৰণে যি মানুহে মোক একো নাজানো বুলি কয় সেইয়েই হে মোক জানে, কিয়নো মোৰ অন্ত বিচাৰি মানুহৰ ক্ষুদ্ৰ জ্ঞানে কি ওৰ পেলাব। মোক জানি মোত শৰণীয়া হৈ মোৰ ভক্ত হোৱাই মানুহৰ থাই জীৱনৰ উদ্দেশ্য আৰু সাৰ্থকতা, যি মোক একো নাজানে সিহে মোক জানে, ইয়াৰ মানে এই যে মোৰ সৃষ্টি কৌশলৰ ধেমালি যি মানুহে স্থুল আৰু সূক্ষ্ম দুইবিধ সৃষ্ট পদাৰ্থতেই দকৈ মণি চাই মহা আচৰিত হৈ পৰি তেওঁৰ নিজৰ ক্ষুদ্ৰ জ্ঞান বুদ্ধিক (যি মোৰেই প্ৰদত্ত) মোতেই সমৰ্পণ কৰি নিজৰ জ্ঞান বুদ্ধিৰ অহঙ্কাৰ লোপ কৰে তেওঁয়েই মোৰ শৰণীয়া, তেওঁয়েই মোৰ ভক্ত। যি সংসাৰৰ কাৰ্য্যবিলাকত মোৰেই আদেশ দেখে আৰু তাক মোৰেই আদেশ বুলি প্ৰতিপালন কৰে আৰু মোতেই অৰ্পণ কৰে সেইয়েই মোৰ ভক্ত। যি ন্যায়ক ৰক্ষা কৰাৰ অৰ্থে প্ৰাণ দিবলৈকো ভয় নকৰে তেওঁয়েই মোৰ ভক্ত। নিজৰ ঘৰখনিৰ পৰিয়ালটিক যি সুআচাৰ সুনীতি শিক্ষা দি তোলে তেৱেঁই মোৰ ভক্ত। যি স্বদেশৰ মঙ্গল



কামনা কৰি শক্তি অনুসাৰে দেশৰ উন্নতি সাধন কৰিবলৈ অকপটভাৱে চেষ্টা কৰে তেওঁয়েই হে মোৰ ভক্ত। গীতা ভাগৱত পঢ়ি চাৰিওপৰ হৰিকীৰ্ত্তন কৰি প্ৰসঙ্গ কৰাক অকল মোৰ উপাসনা নেভাবিবা। সপ্তাহৰ ভিতৰত এদিন বহি গান কেটামান গাই চকুমুদি মোৰ মহিমাক আৰু মোক প্ৰশংসা কৰাই যে অকল মোৰ উপাসনা এনে নেভাবিবা। কাণত আঙুলি ভৰাই আজান দি দিনত পঞ্চাশ বাৰ নামাজ কৰিলেই যে অকল মোৰ উপাসনা হয় এনে নেভাবিবা। মোৰ উপাসনা জ্ঞান, নীতি, আৰু মোৰ ধৰ্ম্ম প্ৰচাৰ কৰাৰ দ্বাৰাই হয়। যি স্বগৃহ স্বদেশ স্বজাতিক উন্নত কৰিবৰ অৰ্থে অহোপুৰুষাৰ্থ কৰে তেওঁয়েই হে মোৰ প্ৰধান ভক্ত আৰু প্ৰকৃত পক্ষে তেওঁয়েই হে মোৰ উপাসনা কৰে। মুঠতে দেখিবলৈ গলে মানুহৰ সৎকাৰ্য্যই হে মোৰ উপাসনা। যি জাতি বা দেশে মোৰ সত্য ধৰ্ম্মত থাকে সেইয়েই স্বাধীন। স্বাধীনতাৰ মানে স্ব+অধীনতা অৰ্থাৎ স্ব-পৰমাত্মা, তাৰেই যি মানুহ বা জাতি অধীন হৈ চলে তাকেই স্বাধীন বোলে। স্বেচ্ছাচাৰীতাক বা উচ্ছৃঙ্খলতাক স্বাধীনতা নোবোলে। যি মানুহ বা জাতিয়ে ইন্দ্ৰিয় দ্বাৰাই চালিত নহৈ ইন্দ্ৰিয়বিলাকক নিজৰ বশলৈ আনি চলায় সেই মানুহ বা জাতিকেই স্বাধীন বোলে। মানুহৰ ৰজা এক ঈশ্বৰ বিনা আন কেওঁ নাই, মানুহ নিজৰ ৰাজ্যত নিজেই ৰজা। মানুহে ঈশ্বৰৰ বিধান মানি চলিলেই মানুহ স্বাধীন, ঈশ্বৰৰ বিধান মানি চলা স্বাধীন মানুহ বা জাতিয়েই এই পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ জাতি হৈ অতি পৰাক্ৰমী হয়। মানুহে নিজ অন্তৰৰ ৰাজ্যখনিক শাসন কৰিব জানিলেই বাহিৰ জগতৰ ৰাজ্যকো শাসন কৰিব পাৰে। অন্তৰ ৰাজ্যৰ প্ৰজাবিলাক বা বৃত্তিবিলাকক, যথা কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য এইবিলাকৰ অন্তৰ্গত হিংসা, খিয়াল, পৰশ্ৰীকাতৰতা, স্বাৰ্থপৰতা বা আপোনপেটীয়া স্বভাৱ ইত্যাদিক যি জাতিয়ে এৰিব পাৰে সেই জাতিয়েই হে প্ৰকৃত পক্ষে শাক্ত জাতি, সেই জাতিয়েই তান্ত্ৰিক জাতি। বিধাতাৰ বিধি হৈছে সৃষ্টি, এই সৃষ্টি নিয়ম বা আইনৰ অধীন। কোনো মানুহ বা জাতি তান্ত্ৰিক হলেও ঈশ্বৰৰ আইন বা ঈশ্বৰৰ আইনৰ অনুৰূপ মানুহৰ সমাজ বা ৰাজ্যত শান্তি বিস্তাৰ কৰি ন্যায় ৰক্ষা কৰাৰ কাৰণে ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপ ৰজা বা গৱৰ্ণ-

মেষ্টৰ আইনক বৰকৈ মান্য কৰে। এনে নিয়মৰ ফুটত যি জাতি উঠে সেই জাতিক কোনো জাতিয়ে বলে নোৱাৰে। ভাৰতৰ হিন্দু আৰ্য্য জাতি এসময়ত এই অনুৰূপৰ জাতি থকা গতিকে পৃথিবীৰ ভিতৰত পূজ্য আৰু স্বাধীন জাতি আছিল। যি জাতি জ্ঞানৰ বলেৰে স্বাধীন তাকেই হে স্বাধীন জাতি বোলে। অসভ্য বা অজ্ঞান জাতিক স্বাধীন জাতি বোলা মূৰ্খতা মাত্ৰ। অসভ্য জাতিৰ ন্যায় অন্যায় বিচাৰ কৰা বিবেকশক্তি অতি কম, এই গতিকে সিহঁত স্বাধীন থাকিলেও বৰ্ব্বৰতাৰ দোষত সিহঁত বৰকৈ ক্ৰোধৰ অধীন। যি জাতি ক্ৰোধ আৰু অজ্ঞনতাজনিত কুসংস্কাৰৰ অধীন সেই জাতিয়েই পৰাধীন। আৰু সেই জাতি এসময়ত নহয় এসময়ত আন কোনো জ্ঞানী সভ্য জাতিৰ অধীন হব লাগিবই লাগিব যে এইয়ে মোৰ ( ঈশ্বৰৰ ) বিধান। দয়া ক্ষমা প্ৰেম ভক্তি যি জাতিত বেছি সেই জাতিয়েই স্বাধীন। যি জাতিত বিনয় নম্ৰতা আৰু আলহি-শোধা স্বভাৱ আছে সেই জাতিয়েই পৃথিবীৰ যেই সেই জাতিকেই বশ কৰিব পাৰে। ভাৰতৰ হিন্দু আৰ্য্য বিলাকৰ গাত যেতিয়া এইবিলাক গুণ আছিল তেতিয়া তেওঁবিলাক স্বাধীন আছিল। যেই কোনো জাতিৰেই অতিথি শুশ্ৰূষা বা আলহি-শোধা স্বভাৱ এটি মহৎ গুণ, এই গুণে পৃথিবীৰ নানা জাতিক বশ কৰিব পাৰে। কিন্তু ভাৰতৰ বৰ্ত্তমান হিন্দু জাতিৰ ভিতৰত নানা তৰহৰ জাতিভেদ সোমাই মানুহক মানুহলৈ ঘিণ ওপজাইছে, এই কাৰণে আজিৰ দিনৰ পৃথিবীৰ আনআন সভ্য দেশৰ মানুহে ভাৰতৰ হিন্দুবিলাকক পুতৌ নকৰে। জাতিভেদ আৰু ধৰ্ম্মৰ ব্যৱসায় এই দুটি দোষেই ভাৰতৰ হিন্দু জাতিক অধঃপতিত কৰাৰ মূল কাৰণ। ব্ৰহ্মাই এই খিনিতে ডাঠি কলে যে ধৰ্ম্মৰ দোকানেই ভাৰতৰ হিন্দু জাতিত সত্য ধৰ্ম্ম নোসোমোৱাৰ বৰ হেঙাৰ। এইখনি হেঙাৰ থকাৰ কাৰণেই মই ভাৰতৰ হিন্দু জাতিলৈ সময়ৰ বতৰা কোৱাৰ কাৰণে সময়ে সময়ে যিমানবিলাক মহাপুৰুষ পঠাইছোঁ মানে নিষ্ফল হৈছে। কিয়নো বামুণবিলাকে ধৰ্ম্মৰ দোকান কেতিয়াও এৰিব নোখোজে।

বামুণ এনে স্বাৰ্থপৰ আৰু মূৰ্খ হৈ পৰিল যে যিবিলাক মহাপুৰুষক মই প্ৰেৰণ কৰিছিলোঁ সেইবিলাককেই ঈশ্বৰ পাতি, প্ৰতিমা গঢ়ি, ধৰ্ম্মৰ একো একোখনি ন ন দোকান পতিবলৈ সুবিধা কৰি ললে। ভাৰতৰ হিন্দুবিলাকক সাহসী কৰিবৰ অৰ্থেৰে মোৰ তন্ত্ৰধৰ্ম্ম প্ৰবৰ্ত্তন, কিন্তু তেওঁবিলাকে তাক নকৰি যেতিয়া তন্ত্ৰধৰ্ম্মত নানাতৰহৰ পাপ কামৰ ভেজাল দি নিলাজ কথাবিলাক লগাই আনে বুজিব নোৱৰাকৈ একো একোটি শ্লোক তৈয়াৰ কৰি চাৰিও পিনে ধৰ্ম্মৰ দোকানবিলাক পাতি ভাৰতক পাপেৰে বুৰাব খুজিছিল তেতিয়া মই একেশ্বৰবাদী মুচলমানৰ হাতত, এই ভাবি ভাৰত ৰাজ্য গতাই দিছিলোঁ যে ভাৰতৰ বামুণবিলাকে সৰ্ব্বসাধাৰণ কোটী কোটী মূৰ্খ মানুহ বিলাকক ভুৱা দি ধন ঘটাৰ কাৰণে গোটেই ভাৰৰ্ষখানতেই এক ঈশ্বৰকে লাখে লাখে ঈশ্বৰ কৰি মাটি, শিল আৰু ধাতুৰ লাখে লাখে প্ৰতিমা বা পুতলা গঢ়ি সদৌঠাইতে দেৱালয় আৰু সত্ৰ পাতি ভৰাই পেলাইছে। অৱশ্য মোৰ ইচ্ছাৰ বাহিৰে গছৰ পাত এটিও নলৰে, মানুহে কোনো কামকেই মোৰ ইচ্ছাৰ বাহিৰে কৰিব নোৱাৰে ঠিক, কিন্তু মই দেখাই দিওঁ মানুহক সোঁবাট, মানুহ যায় বাঁও বা বেকা বাটে। তীৰ্থবিলাক আৰু দেৱালয়বিলাকক মোৰ সেই কালৰ বিধান ৰাখিবলৈ মই যি মনেৰে পাতিছিলোঁ তাৰ উদ্দেশ্য সফল নহল। তীৰ্থ বোলা দেৱালয় বোলা সত্ৰ বোলা গোটেইবিলাককে মই পতাৰ এই মানে আছিল, সেইবিলাকত যি ধন জমা হব সেইবিলাক একোটি একোটি সাধাৰণ ব্যাঙ্ক গঠিত হৈ তাৰ দ্বাৰাই সেই সেই ঠাইবিলাকত সৰ্ব্ব সাধাৰণ বা ৰাইজক জ্ঞান শিক্ষা ধৰ্ম্ম শিক্ষা দিয়াৰ নিমিত্তে একো একোখনি পঢ়াশালি ( স্কুল ) আৰু একোএকোখানি বিশ্ববিদ্যালয় ( কলেজ ) স্থাপিত হৈ ভাৰতবৰ্ষখানকেই জ্ঞান শিক্ষা দি শিক্ষিত কৰি তুলিব। কিন্তু মোৰ সেই উদ্দেশ্য সফল নহল। যিবিলাক জ্ঞানী পণ্ডিত বামুণৰ হাতত মই তীৰ্থ আদি সত্ৰ দেৱালয়বিলাকক গতাই দিছিলোঁ সেইবিলাকে তাকে পাই নিজে পেট পুহিছে আৰু নিজৰ বংশ বৃদ্ধি কৰি তাৰ দ্বাৰাই প্ৰতিপালিত হৈছে মাত্ৰ। আনপিনে যেতিয়া দেখিলোঁ যে গাওঁৱে গাওঁৱে চহা মানুহক ভয় দেখুৱাই ফাকি দি ধন ঘটাৰ অৰ্থে বামুণবিলাকে একোএকোটি দেৱতা আৰু দেৱীৰ, যথা ৰুদ্ৰ, মহাকাল, কালী, চণ্ডি, উগ্ৰচণ্ডা, প্ৰচণ্ডা জয়দুৰ্গা ইত্যাদি নাম দি আৰু ভয়লগা আকাৰৰ প্ৰতিমা বা মূৰ্ত্তি গঢ়ি, পূজা কৰাৰ অৰ্থে নিজে পূজাৰি হৈ ৰহিল। যেতিয়া মূৰ্খ চহা মানুহবিলাকে সেইবিলাক ভয় লগা

দেৱ দেৱীৰ থানবিলাকত পূজাপাতল অৰ্থাৎ ভেটী নিদিলে তেওঁবিলাকে দেৱ দেৱীৰ খঙৰ হাত সাৰি নিজে অপায় অমঙ্গলৰপৰা ৰক্ষা পৰিব নোৱৰা কথা বামুণৰ বুজনি মতে বুজি সেইবিলাক দেৱ দেৱীক পূজা দি নানাৰূপ পাপকামৰলৈ সৃষ্টি কৰিবলৈ ধৰিলে. তেতিয়া মই মুচলমানৰ হতুৱাই সেই মূৰ্ত্তিবিলাকক ভঙোৱাই দি দেখাই দিলোঁ যে সেইবিলাক ভয়ানক দেৱ দেৱীৰ মূৰ্ত্তি আৰু থানবিলাকত মহাত্ম্য বা মহিমা একো নাই। আনপিনে সেই সময়তে মই সত্যধৰ্ম্ম বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ হোৱাৰ অৰ্থে নানক, কবীৰ, তুলসী দাস, শঙ্কৰদেৱ আৰু চৈতন্যদেৱ প্ৰভৃতি মহাপুৰুষবিলাকক সৃষ্টি কৰি ভাৰতবৰ্ষলৈ প্ৰেৰণ কৰোঁ। তেওঁবিলাকে ভাৰতৰ মানুহবিলাকক মোৰ সত্য ধৰ্ম্মৰ বুজনি দি বহু চেষ্টা যত্ন কৰি ভাৰতৰ বাইজক সচাঁৰ বাট দেখাই দিলে আৰু ডাঙৰ সৰু সকলোকে সমান কৰিলে। মূৰ্ত্তি পূজাৰ আৰু জাতিভেদৰ বিৰুদ্ধে সেই মহাপুৰুষবিলাকে যেতিয়া থিয় দিলে তেতিয়া ধৰ্ম্মৰ দোকানী বামুণবিলাকে বৰ বিপক্ষতা আচৰণ কৰিবলৈ ধৰিলে। কিন্তু বামুণবিলাকে হাজাৰ চেষ্টা কৰিও যেতিয়া মহাপুৰুষসকলৰ মতৰপৰা বাইজক ওলোটাব নোৱৰা দেখিলে তেতিয়া অনেক বামুণেই বুৰি সেই মহাপুৰুষসকলৰেই শৰণীয়া হৈ মহাপুৰুষবিলাকক স্বয়ং ঈশ্বৰ অৱতাৰ পাতি তেওঁবিলাকৰ ভাওনাৰ সামৰণি হোৱাৰ পিছত তেওঁবিলাকৰ নামে নামে একো একোটি ধৰ্ম্মৰ নাম দি আৰু নানাভাগে সম্প্ৰদায় গঠন কৰি ভাৰতৰ মানুহক ভাগ ভাগ কৰি পেলালে। মই পঠাইছিলোঁ মহাপুৰুষবিলাকক ভাৰতৰ মানুহৰপৰা মূৰ্ত্তি পূজা আৰু জাতিভেদ গুচাবলৈ। আৰু ঠাইয়ে ঠাইয়ে সত্ৰ পাতি পবিত্ৰ বৈষ্ণৱ ধৰ্ম্ম বাইজক শিক্ষা দিবলৈ, কিন্তু বামুণবিলাকে সেই সত্ৰবিলাককেই ধৰ্ম্মৰ একোএকোখনি দোকান পাতি তাতেই মহাপুৰুষবিলাকৰ মূৰ্ত্তি স্থাপনা কৰি পূজাপাতল দিয়াৰ দ্বাৰাই ধন ঘটিবৰ বাট বহলাই ললে। আৰু জাতিভেদকো পুৰণিৰ লগত নতুনক যোগ দি বেছিকৈ বহলাই পেলালে। এই ভাৰতৰ হিন্দু জাতি অতি পুৰণি আৰু আদিজাতি, এই জাতিক বৰ্ত্তমান পতিত অৱস্থাৰপৰা উদ্ধাৰ কৰাৰ নিমিত্তে মই অনেক চেষ্টা কৰি আছোঁ, ধৰ্ম্মৰ দোকান আৰু জাতিভেদ নাশ কৰাৰ কাৰণেই মই মুচলমানৰ হাতত ভাৰত ৰাজ্য সমৰ্পণ কৰোঁ, কিন্তু যেতিয়া মুচলমানবিলাকে হিন্দু ভাইবিলাকক বেয়া ব্যৱহাৰ কৰি হিন্দুৰ ঐতিহাসিক কীৰ্ত্তিবিলাক ধ্বংস কৰি প্ৰেমৰ বদলি ঘিণৰ, ন্যায়ৰ বদলি অন্যায়ৰ ৰাজ্য পতিবলৈ ধৰিলে, তেতিয়া মই মুচলমানৰ হাতৰপৰা ভাৰত ৰাজ্য কাঢ়ি লৈ বৰ্ত্তমান ইংৰাজজাতিৰ হাতত সমৰ্পণ কৰোঁ। মোৰ সৃষ্টিৰ কাৰ্য্য কেতিয়াও বিশৃঙ্খল থাকিব নোৱাৰে, সেই বাবে অন্যায়ক মই কেতিয়াও ৰাজত্ব পাতিব নিদিওঁ। কোনো মানুহ বা জাতিক যোগ্য দেখিলে মানৱজগতক জ্ঞান প্ৰেম আৰু ন্যায়ৰ ৰাজ্য পতাৰ কাৰণে ক্ষমতা দিওঁ মই, কিন্তু সেই মানুহ বা জাতিয়ে ভাবে ক্ষমতা তাৰ নিজৰ, এই হেতুকে যেতিয়া মই দেখোঁ মই ক্ষমতা দিয়া কোনো মানুহ বা জাতিৰ অহঙ্কাৰ বাঢ়ি মূধা ফুটিছে তেতিয়া তাৰ ক্ষমতা কাঢ়ি লওঁ। ভাৰতৰ হিন্দু আৰ্য্য জাতিৰ আৰু মুচলমানৰ হাতৰপৰা মই ক্ষমতা কাঢ়ি নিয়াৰ এই এই কাৰণ। মই মাখিৰ হতুৱাই হাতীক মৰাওঁ আৰু শহাপহৰ দ্বাৰাই সিংহক বধ কৰাওঁ। এটি ভুঁইকঁপ আৰু এটি ধুমুহা বতাহৰ বলতেই যিস্থলত মানুহ অথিৰ হৈ পৰে তেনে স্থলত মানুহে নিজৰ বল বুদ্ধিৰ ক্ষমতাত কি গওপ মাৰিব পাৰে। তাকৰীয়া মানুহ হলেও যি জাতিৰ গাত মই ধৰ্ম্মৰ বল বেছি দেখা পাওঁ আৰু যি জাতি ন্যায়বান তাৰ হাততেই এটি ডাঙৰ জাতিৰ বিশাল ৰাজ্যৰ ভাৰ অৰ্পণ কৰোঁ। ইংৰাজ জাতিৰ গাত এইবিলাক গুণ থকা গতিকে ভাৰতৰ অধঃপতিত হিন্দু আৰু অন্যান্য জাতিক উদ্ধাৰ কৰাৰ অৰ্থে এই বিশাল ভাৰত ৰাজ্য ইংৰাজৰ হাতত অৰ্পণ কৰিলোঁ আৰু বিশেষকৈ দেখিলোঁ যে, অনেক দিনৰপৰা ছিগি ভাগি যোৱা এই ভাৰত ৰাজ্য ইংৰাজ গবৰ্ণমেণ্টৰ হাতত নিদিলে কেতিয়াও জোৰা নালাগে আৰু জাতিভেদ আঁতৰ নহয়। ভাৰতবৰ্ষত বৰ্ত্তমান বৰ শুভ যুগ লগ লাগিছেহি, এতিয়া ভাৰতবাসীয়ে ন্যায়ক আশ্ৰয় কৰি লাহে লাহে উন্নতিৰ বাটেদি আগবাঢ়িব পাৰিব; কিন্তু সাৱধান! যুগ ধৰ্ম্মৰ মোৰ নতুন বিধান মতে ভাৰতবাসী নচলিলে শোক লগা পতন অৱস্থালৈ নামিব লাগিব।

বৰ্ত্তমান সময় মানুহৰ জ্ঞানৰ পুৰঠ অৱস্থালৈ অহা যুগ, এই যুগত ইংৰাজৰ দৰে জ্ঞানী জাতিয়েই হে ভাৰতবৰ্ষ ভোগ কৰাৰ যোগ্য। এই হেতুকে ভাৰতবাসীয়ে যেন ইংৰাজ শাসনত সন্তুষ্ট থাকি বৰ্ত্তমান সভ্য জাতিবিলাকক

অনুকৰণ কৰি নিজে যেন সেই প্ৰকাৰে জ্ঞানেৰে বলীয়ান হবলৈ চেষ্টা কৰে। ভাৰতবৰ্ষৰ হিন্দু আৰ্য্যজাতিৰ সন্তানবিলাকে খোৱা পিয়াত জাতিভেদ আৰু স্বজাতিৰ ভিতৰত হিংসা খিয়াল আদি স্বভাৱ এৰি পেলাওক, পৃথিবীৰ সদৌ জাতিৰে সৈতে ভাৰতবাসীয়ে মিত্ৰতা বান্ধিবৰ যত্ন কৰক, খোৱা পিয়াত আৰু ছোৱা লোৱাত জাতিভেদ ৰখাই হৈছে ভাৰতৰ বৰ্ত্তমান হিন্দু আৰ্য্য জাতিৰ প্ৰধান দোষ। এই দোষ ভাৰতৰ হিন্দু আৰ্য্যজাতিয়ে সোনকালে গুচাব নোৱাৰিলে পৃথিবীৰ কোনো জাতিৰে সৈতে সিহঁতে মিল হৈ সহানুভূতি পাব নোৱাৰিব, কিয়নো যি আনক ছেই-ছেই-লেই-লেই কৰে আনেও তাক ছেই-ছেই-লেই-লেই কৰে। যি মানুহ বা জাতিয়ে অতিধিক একে লগে বহৱাই খোৱা পিয়া কৰায় তাক সকলোদেশৰ মানুহে শলাগে আৰু পুজো কৰে। জাতিভেদ এনে সজ কামৰ বৰ বিৰোধী, এতেকে ভাৰতৰ হিন্দু জাতিয়ে খোৱা পিয়া আৰু ছোৱা লোৱা কৰাৰ জঘন্য জাতিভেদ সোনকালে এৰক। যুগে যুগে মোৰ ন ন বিধান প্ৰচাৰ কৰি মই জ্ঞান বহলাওঁ। বৰ্ত্তমান যুগত পৃথিবীৰ সদৌ মানৱ জাতিক পৰস্পৰ চিনাকি কৰাব কাৰণেই মানুহৰ বুদ্ধিৰ ভিতৰেদি বিজ্ঞানৰ উন্নতি সাধন কৰাই নানা তৰহৰ কলকৌশল মই উলিয়াইছোঁ। জাহাজ, ৰেলগাড়ি ইত্যাদি উলিয়াই পৃথিবীৰ মানুহৰ ইজাতিৰ ওচৰলৈ সিজাতি অহা যোৱা কৰিব পৰা কৰিছোঁ, কিয়নো সদৌ মানৱ জাতিকে এক কৰাৰ মোৰ অভিপ্ৰায়, এনেস্থলত ভাৰতৰ হিন্দুজাতিয়ে জাতিভেদ এৰিব খুখুজিলেও প্ৰকাৰান্তৰে মই একৰাম আৰু একৰাৰ লাগিছোঁ। মোৰ উপদেশ বৰ্ত্তমান ভাৰতবাসীৰ প্ৰতি এই যে, ভাৰতৰ প্ৰত্যেক প্ৰদেশৰ মানুহে নিজ নিজ মাতৃভাষাৰ উন্নতি সাধন কৰক আৰু পৃথিবীৰ মানৱ জাতিৰ নানা তৰহৰ জ্ঞান নিজ নিজ মাতৃভাষাৰে নিজ নিজ প্ৰদেশত প্ৰচাৰ কৰক। মানুহৰ বুদ্ধিৰ পৰিশ্ৰম ইজাতি সিজাতিয়ে বা মানুহৰ ইটি সিটিয়ে অদল-বদল কৰাব কাৰণে মানুহৰ বুদ্ধিৰ দ্বাৰাই মই টকাৰ সৃষ্টি কৰাইছোঁ, এনে টকা যিজাতিয়ে ভালদৰে নিজৰ বুদ্ধি চলাই ঘটিব নোৱাৰিব সেই জাতি চিৰকাল আনৰ তলতীয়া বা গোলাম হৈ থাকে আৰু সেই জাতিয়ে কোনো দিন জ্ঞান বিজ্ঞান শিক্ষা কৰি বুদ্ধিৰ বল বঢ়াব নোৱাৰে, এই হেতুকে ভাৰতৰ প্ৰত্যেক প্ৰদেশৰ মানুহে স্বদেশৰ ধন যাতে বিদেশলৈ



নাযায় তাৰ যত্ন বৰকৈ কৰক। বৰ্ত্তমান ধনেই ৰজা, ধনেই বুদ্ধি, ধনেই বল, ধনেই কল কৌশল, এতেকে ভাৰতবাসীয়ে মোৰ ওপৰত নিৰ্ভৰ কৰি সত্যত আশ্ৰয় কৰি হিংসা খিয়াল পৰিহাৰ কৰি একতা-ডোলেৰে গথঁা হৈ বাইকৈ স্বদেশত ধন বঢ়াবৰ চেষ্টা কৰক। কি উপায়েৰে ধন ঘটি স্বদেশত ধন বঢ়াব পাৰি তাৰ বুধি—জাতিভেদক এৰি বিদেশৰ সভ্য জাতিবিলাকৰ ওচৰত শিকি আহক। বৰ্ত্তমান যুগৰ মোৰ এনে বিধান নহয়, ভাৰতৰ হিন্দু জাতিয়ে কেতিয়াও এনে আশা নকৰিব, তেওঁবিলাকে যে নিকপ্‌কপীয়া হৈ ধৰ্ম্মৰ দোকানী বামুণৰ খুটিপোতা ধৰ্ম্ম ৰক্ষা কৰি জাতীয়তাৰ খিতাপি পাতিব পাৰিব। মোৰ বিধান স্থিতিশীল নহয়, গতিশীল। মই এতিয়া মোৰ সময়-বুতৰ কটকী পঠাই ভাৰতবাসীবিলাকৰ ঘৰে ঘৰে দিনৌ দিনৌ এইবিলাক খবৰ কোৱাইছোঁ, তাক যদি তেওঁবিলাকে আত্তকাণ কৰে তেনেহলে অ কমলাকান্ত! ভাৰতবাসী হিন্দুজাতিৰ, বিশেষকৈ আগতে অসমীয়া মানুহৰ কি দুৰ্দ্দশা ঘটিব তাক মই এতিয়া তোক দিব্য চক্ষু দান কৰি মোৰ বিশ্বৰূপৰ ভিতৰত দেখাওঁ। ব্ৰহ্মা এই কথা কৈ বিৰাট মূৰ্ত্তি হৈ পৰিল, মই মানুহটি এতিয়া কিমান দীঘল আৰু ওখ হৈ পৰিলোঁ তাৰ অন্ত একোকে নেপোৱা হলোঁ। মোৰ হৃদয়খন যেন অনন্ত আকাশ, মোৰ মূৰটি কত তাৰ অন্তকে ধৰিব নোৱাৰোঁ। ইএতিয়া কাৰণৰ কাৰণ মহাকাৰণ। মোৰ ভৰি দুটি নো কত আছে কিহত থিয় দিছে তাৰো একো অন্ত নাজানো। জানো মাত্ৰ মই আছোঁ।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য।

---

# সকলো তুমি।

বিদ্যুতৰ ৰেখা উষাৰ জেউতি
তোমাৰে হে ৰূপ মাথোঁ।
চন্দ্ৰমাৰ ভাতি তৰাৰ হাঁহিটি
তোমাৰেহে অংশ পাতোঁ।
মেঘৰ গাজনি পক্ষীৰ আৰাও
তোমাৰেহে মাথোঁ নাম,
বিষাদৰ সুৰ সুখৰ উৰুলি
তোমাৰেহে গুণ গান।
পক্ষীৰাজ মৰা, কুৰূপ যি কেঁচা
তোমানেহে ক্ষুদ্ৰ কায়া,
সুৰূপ কুৰূপ সুগুণ দুগুৰ্ণ
সকলো তোমাৰ মায়া।
দেখিলো যিবোৰ শুনিলোঁ যিবোৰ
সকলো তোমাৰ কাম,
শুনিলোঁ যিবোৰ শুনিম যিবোৰ
সকলো তোমাৰ নাম।
তোমাৰ নামৰ চাকিটি দিয়াঁ,
হিয়া মোৰ পোহৰাওঁ,
হিয়াতেই আছা বিচাৰি দূৰত
আন্ধাৰে আন্ধাৰে যাওঁ।
নিজেই বান্ধিলোঁ অজ্ঞান আন্ধাৰে
চকু দুটি মোৰ হায়,
দিয়া মোকোলাই তোমাৰ হাতেৰে,
বিশ্বব্যাপী ৰূপ এবাৰ তোমাৰ
চাই লওঁ চকু জুৰাই।

শ্ৰীপুলেশ্বৰ মহন্ত।



# কিমানলৈ সাজু ?

( ৩ )

চেক্সপিয়েৰৰ "Taming of the Shrew" নাটকখন পঢ়িলে দেখা যায় যে মিছাকৈ কৰ্কশতাৰ ভাব দেখুৱাই বহুত সময়ত বহুত কাৰ্য্যোদ্ধাৰ কৰিব পাৰি। "The best means to avoid war is to appear to be best prepared for war". টেঙৰ মানুহে এই বুদ্ধিৰ সহায়ত বহুত সময়ত বহুত সুবিধা কৰি লয় কিন্তু প্ৰকৃততে "Best prepared" নোহোৱাকৈ তেনে appear হোৱা সহজ কথা নহয়। সংসাৰৰ মানুহ কম টেঙৰ নহয়; সমূলি "বিষ নোহোৱা কোঁপাউৰি" চিনি পাবলৈ সিহঁতৰ বেছি পৰ নালাগে। তোমাৰ বিষ থাকিব লাগিব, কিন্তু সেই বিষৰ প্ৰয়োগ নকৰি, অকল কোঁপাউৰিৰ সহায়তাৰে তুমি কাৰ্য্যোদ্ধাৰ কৰিব জানিব লাগে। নেপোলিয়নে এটা ঘটনা উপলক্ষে, নিজৰ ডিঙিলৈ আঙুলিয়াই কৈছিল "I never allow my anger to rise above this and cloud my Brain" অকল খং উঠিল বুলিয়েই যে মূৰ্খৰ দৰে অকাৰ্য্য কৰিব লাগে তেনে কোনো কথা নাই। কোঁপাউৰিৰে কাৰ্য্যোদ্ধাৰ কৰিবৰ আশাত তেনে কৰিবলৈ গৈ বহুতে কিন্তু কম্বল বুলি ভালুকৰ-গাত ধৰা মানুহৰ অৱস্থাত পৰে। দেশ কাল পাত্ৰ ভেদে অৱস্থা বুজি চলিব জানিব লাগে।

দুষ্কাৰ্য্যত বিপদ আছে, এইটো জনা কথা। ভাল কাম কৰিবলৈ গৈ বিপদত পৰিলে তাৰ ক্ষমা আছে। কিন্তু বেয়া কাম কৰিবলৈ গৈ বিপদত পৰি লোৱাৰ অৰ্থ কি? অথচ দেখা যায়, অসাধু মানুহে দুষ্কাৰ্য্য কৰি বিপদত পৰিবলৈ পাছ নোহাঁহকে। অসাধু আৰু নীচ মানুহৰ ধন মানলৈ নহলেও, অন্ততঃ প্ৰাণলৈ এফেৰিকে মৰম নাই নে? প্ৰাণলৈ মৰম নোহোৱা কোন আছে? যেনে কি ঘৃণনীয় জীৱ হক, পাৰোঁতে সি নিজৰ প্ৰাণটো বিসৰ্জ্জন দিবলৈ কেতিয়াও ইচ্ছা নকৰে। এনে স্থলত অসাধু মানুহে, কৰোঁ বুলি, দৰকাৰে অদৰকাৰে, দুষ্কাৰ্য্য কৰি নিজৰ প্ৰাণটোক বিপদাপন্ন কৰিবলৈ দ্বিধা নকৰে কিয়? আচল কথা, অসাধুৱে প্ৰতিপক্ষতকৈ নিজক প্ৰবল বুলি ভাবি তেনে কৰে। "Any coward

would fight if he were certain of safety." কিন্তু এনে কৰি অলেখ মানুহে মহা বিপদত পৰিছে। মাছ বুলি সাপৰ গাত খামোচ মাৰি ধৰি মানুহ মৰা নাই জানো? কিন্তু কু মানুহে দেখি নিশিকে, ঠেকিহে শিকে।

অসাধুৱে যদি অন্যায় কামতে নিজৰ প্ৰাণটো আগবঢ়াবলৈ সাজু হব পাৰে, তেন্তে সাধুৱে ন্যায় কামত নো নিজৰ প্ৰাণটো উৎসৰ্গ কৰিবলৈ সাজু নহয় কিয়? অন্যায় কৰা যেনে পাপ, অন্যায় সহাও তেনে পাপ। ন্যায়ৰ নিমিত্তে প্ৰাণ উৎসৰ্গি সাজু হোৱা প্ৰকৃত বীৰৰ কাম। কিন্তু প্ৰাণ দিবলৈ সাজু আছোঁ বুলি যে প্ৰাণটো যথেমথে দলিয়াই পেলাব লাগে তেনে নহয়। বহুত সময়ত "tit for tat" প্ৰত্যুত্তৰ আৰু "tit for tat" আচৰণ পৰিহাৰ কৰি ধৈৰ্য্যাৱলম্বন কৰিব পাৰিলেহে মানুহ উধাৰ পাৰে।

কেতিয়াবা কেতিয়াবা মানুহ এনে অৱস্থাত পৰে যে, সি নিজৰ জীৱনাশঙ্কাৰ কথা সম্পূৰ্ণৰূপে পাহৰি যায়। মাকৰ কোলাৰপৰা কেচুৱা লৰাক বাঘে টানি নিলে, মাকে যে বাঘৰ পিছে পিছে খেদি যাব ই ধ্ৰুপ। গাড়ীৰ চকা ধুৰাৰ ওপৰত ঘূৰে। ধুৰাডাল ভাগিলে চকা ঘুৰে। বহুত মানুহ আছে যাৰ জীৱনৰূপ চকাটো এনে একোটা কথাৰূপ Pivot-অৰ ওপৰত থিত লৈ আছে যে, সেই Pivot-অত আঘাত পৰিলে তেওঁৰ মনুষ্য জীৱনটোৱেই অকামিলা হৈ পৰে। তেতিয়া আৰু তেওঁৰ জীৱনৰ কোনো মূল্য নোহোৱা হয়। তেতিয়া গধুৰ বোজা দলিয়াই পেলোৱাৰ দৰে তেওঁ জীৱনটো দলিয়াই পেলাবলৈ ব্যাকুল হয়। এনে Pivot-অত কোনোৱে হাত দিলে গৰাকীয়ে যে প্ৰাণ উছৰ্গিবলৈ সাজু হব, তাত কোনো সন্দেহ নাই। মানটোৱেই দুৰ্য্যোধনৰ জীৱনৰ Pivot আছিল। মান হেৰুৱাই দুৰ্য্যোধনে জীৱন ধাৰণ কৰা অসম্ভৱ। তেওঁৰ মানৰ মূল্য প্ৰাণতকৈ বেছি। লোকে Pivot কাঢ়ি নিয়াতো প্ৰাণ ধাৰণ কৰি থকা আৰু জীৱন্মৃত হৈ থকা একে কথা। পদ্মিনীক আলাউদ্দীনৰ হাতত সমৰ্পণ কৰহেঁতেন চিতোৰৰ ৰাজপুতবিলাকে জীৱন দান কৰিব নালাগিল হেঁতেন। কিন্তু "ইজ্জৎ" ৰাজপুত জীৱনৰ Pivot আছিল। এই Pivot হেৰুৱাই ৰাজপুত জীয়াই থাকিব নোৱাৰিলে। তেওঁবিলাকে "জীৱন্মৃত হৈ থকাতকৈ "মৰিও অমৰ" হোৱাটো বেছি বাঞ্ছনীয় বিবেচনা কৰিলে।



Pivot-অত আঘাত লাগিলে যেই সেই মানুহে এনে কৰিব পাৰে। জ্ঞানী মানুহে লোকৰ Pivot-অত সতকাই আঘাত নকৰে। তোমাৰ নিচনা মাৰাক বা ভনীয়েৰাক যদি তোমাৰ আগতে কোনোৱে অনাহকতে মাৰি পেলাবৰ মনেৰে ডিঙিত টিপা মাৰি ধৰে, তেনেহলে, মোৰ বিশ্বাস, তুমি নিশ্চয় তেওঁবিলাকৰ ৰক্ষাৰ নিমিত্তে প্ৰাণ দিবলৈ সাজু হৈ আগ বাঢ়িবা। আৰু এনে কৰা তোমাৰ পক্ষে অতি উচিত হব। মনুষ্যত্বহীন মানুহজীৱন পশুজীৱনতকৈও নিকৃষ্ট। তেনে জীৱন লৈ জীয়াই নথকাই ভাল। এনে অৱস্থাত "Sell your life dear" আৰু মানুহে কৰেও তাকে। কিন্তু Pivot চিনোতে সাৱধান হবা।

"Whether on the scaffold high
Or in the battle's van.
The fittest place where a man can die
Is where he dies for man."

এজন মানুহৰ আঙুলি-কটপা যেনে আন এজন মানুহৰ আঙুলি-কটপাৰ লগত সম্পূৰ্ণৰূপে নিমিলে, এজন মানুহৰ জীৱনৰ সমস্যাবোৰও (বাহিৰৰ পৰা দেখিবলৈ যেনে কি একে হক) আন এজন মানুহৰ জীৱনৰ সমস্যাবোৰৰ লগত ঠিক একে নহয়। এজন মানুহে এটা কাম কৰি খ্যাতি পাই গৈছে বুলিয়েই আন এজনেও যে সেইটো কাম কৰা উচিত হব তেনে কোনো কথা নাই। কামটো ধৰ্ত্তব্য নহয়; যি অৱস্থাৰপৰা কামটোৰ উদ্ভৱ হৈছে সেইটোহে আচল বিবেচ্য। এনে বহুত অৱস্থা আছে যত বাহিৰৰ উপদেশ কাৰ্য্যকৰ নহয়। অইন মানুহে তোমাৰ অৱস্থাটো সঠিককৈ হৃদয়ঙ্গম কৰিবলৈ অক্ষম। এনে অৱস্থাত নিজৰ বুদ্ধিৰ আশ্ৰয় লোৱাহে যুক্তিসঙ্গত।

বহুত সময়ত সাজু মানুহৰ মনত ভ্ৰান্তি জন্মাই দুষ্টই বং চাব খোজে। কানপুৰৰ কোনোবা এটা কাৰখানাত বুকুজ কেনেকৈ সাজে কাবুলৰ আমীৰে চাবলৈ গৈছিল। তেওঁ বুকুজৰ নোমত হাত দি চাওঁতে, তেওঁক অপ্ৰস্তুত কৰিবৰ মনেৰে কাৰখানাৰ কোনোবা মানুহে সেই নোম গাহৰীৰ নোম বুলি তেওঁৰ আগত কলে। আমীৰে এফেৰিকে অপ্ৰস্তুত

নহৈ তৎক্ষণাৎ উত্তৰ দিলে, "জীয়া গাহৰীৰ নোম ছুলেহে দোষ, মৰা গাহৰীৰ নোম ছোৱাত একো দোষ নাই"। ইয়াত এনে উত্তৰ দিয়াত আমীৰৰ উপস্থিত বুদ্ধি নথৈ প্ৰশংসনীয়।'

তুমি যিটো লক্ষ্য স্থিৰ কৰি আগবাঢ়িব খুজিছাঁ, তালৈ যোৱা বাটটো জানিবা বৰ বিপদসঙ্কুল আৰু বাঘ ঘোঙ সাপ থকা এখন মহাৰণ্যৰ মাজেদি। এনে বাটেদি খোজ লবৰ আগেয়ে বুদ্ধিমান মানুহ মাত্ৰেই ঢাল, তৰোৱাল, বন্দুক ইত্যাদি অস্ত্ৰ নিশ্চয় লগত লব। অকল লগত ললেই নহব, সেইবোৰ ব্যৱহাৰ কৰিব পৰা জ্ঞানও তেওঁৰ থাকিব লাগিব। কিন্তু সাজু হৈ আগবঢ়া আৰু বধেমধে আগবঢ়া—এই দুইজন মানুহৰ—নিৰাপদে লক্ষ্য স্থানত উপস্থিত হোৱা সম্বন্ধে বীমা কৰিব খুজিলে, বীমা কোম্পানীয়ে, সাজু হৈ আগবঢ়াজনৰ নিৰাপদ উপস্থিতিৰ বীমা কৰিলে কৰিব পাৰে, কিন্তু বধেমধে আগবঢ়াজনৰ বীমা বোধ কৰোঁ কেতিয়াও নকৰিব। সামৰ্থ্যৰ অভাৱ ঘটিলেই সাজুৰেই বিপদ ঘটিবৰ সম্ভাৱনা, অসাজুৰ যে কথাই নাই।

হৰমুৰকৈ আগ নাবাঢ়ি সাজু হবলৈ পলম কৰাক বহুতে ভীৰুতাৰ লক্ষণ বুলিব পাৰে। কিন্তু সেইটো ভুল। বিশেষতঃ ভয়শূন্যতা মাত্ৰেই সাহ নহয়। ভয়ৰো আৱশ্যকতা আছে। ভয়ৰপৰাই সাৱধানতাৰ উৎপত্তি। নিজক নিৰাপদে ৰক্ষা কৰিব খুজিলে, অতি সামান্য শত্ৰুকো লঘু বিবেচনা কৰা উচিত নহয়। কাছ আৰু শহাপহুৰ গল্পটোৰপৰাই এই কথাৰ সত্যতা বেছ বুজিব পাৰি। বিশেষতঃ শাৰীৰিক শক্তিত মানুহ ভালেমান জন্তুতকৈ নিকৃষ্ট। হিন্দীত এষাৰ কথা আছে—"কোইকা লাঠী, কোইকা হাত" অৰ্থাৎ কোনো কোনো মানুহৰ হাতখনেই কোনো কোনো মানুহৰ লাঠীৰ তুল্য। লাঠী লৈ অহা দুৰ্ব্বল মানুহক, শুদা হাতে অহা সবল মানুহে জিকিব পৰাটো যে মিছা, তেনে নহয়। কিন্তু সকলো ঠাইতে এই কথা সঁচা নহয়।

মহাপৰাক্ৰান্ত বৃটিছ শক্তিয়েও অসভ্য আবৰৰ বিৰুদ্ধে অভিযান কৰোঁতে ভালকৈ সাজু হৈহে কৰিছিল।

শাৰীৰিক সাজু হোৱাতকৈ মানসিক সাজু হোৱাৰ বিষয়ে আলোচনা



কৰাটোহে এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য। কোনো বিষয়ে শাৰীৰিক সাজু হোৱাতকৈ মানসিক সাজু হোৱাৰ মূল্য বহুতৰ বেছি। মানসিক সাজু হোৱা—মানুহটো যদি বুদ্ধিমান হয়, তেনে হলে সি আগবাঢ়িবৰ বেলিকা স্বভাৱতে শাৰীৰিক সাজু হৈ লব। কোনো উদ্দেশ্য সিদ্ধিৰ নিমিত্তে মানসিক সাজু হোৱাটো জ্ঞানী মানুহৰ পক্ষে এটা মহাসাধনা। এই সাধনাত সিদ্ধিলাভ কৰিব পাৰিলে তেওঁ পৃথিৱীতে অজেয়। "কাৰ্য্যান্বা সাধয়েৎ শৰীৰম্বা পাতয়েৎ বুধঃ।" এই মহাবাক্য আধাৰ তেওঁৰ নিমিত্তে সাৰ্থক। মানসিক সাজু জ্ঞানীৰ আগত জুইৰ দাহিকা শক্তি নাই; ক্ৰুদ্ধ সৰ্পৰ গৰালত বিষ নাই, তৰোৱালৰ কৰ্ত্তনশক্তি নাই, মৃত্যুলৈ ভয় নাই। বিড্‌লি, ক্ৰেনমাৰ খৃষ্ট, চক্ৰেটিছ্, শিবি ৰজা, প্ৰহ্লাদ ইত্যাদিৰ জীৱনীলৈ চালেই এই কথাৰ সত্যতা বুজিব পাৰি।

বাস্তৱিকতে মানুহৰ যেতিয়া মৃত্যুৰ চিন্তা নোহোৱা হয়, তেতিয়া মানুহে অসাধ্য সাধন কৰিব পাৰে। তেনে অৱস্থাপন্ন মানুহ অতি দুৰ্ব্বলী,—অতি সামান্য হলেও, তালৈ তুমি সাৱধান হবা। মৃত্যুভয়বিহীন বলিয়া শিয়াল দেখি মহাবলী বাঘ সিংহয়ো লব মাৰে বুলি কয়। বলিয়া কুকুৰলৈ চালেই সেইটো বুজিব পাৰি।

সাজু হৈ আগবাঢ়ি মৃত্যু ঘটিলেও পৰকাললৈ এটা শান্তিৰ ভাব লগত যোৱা যেন লাগে।

অনেক মহাপুৰুষে নিচেই নিৰ্ভীক ভাৱেৰে মৃত্যুক আলিঙ্গন কৰাৰ উদাহৰণ বুৰঞ্জীত বহুত আছে। কিন্তু কোনো কোনো নৰহত্যাকাৰী অপৰাধীয়েও ঠিক তেনে নিৰ্ভীকভাৱে ফাঁচীত ওলমিবলৈ আগবঢ়াৰ উদাহৰণৰও অভাৱ নাই। এনেবিধৰ অপৰাধীক হাজোতত মৃত্যুলৈ বাট চাই থকা সময়খিনিত খীণোৱাৰ সলনি শকত আৰু হোৱাহে দেখা যায়। এইবোৰ নিৰ্ভীকতাৰ মূলত মৃত্যুলৈ সাজু থকা গুণটো সকলো সময়তে বিদ্যমান।

প্ৰাণীৰ নিমিত্তে প্ৰাণ বৰ প্ৰিয় আৰু মূল্যবান বস্তু। যিজন মানুহ এনে প্ৰাণ উৎসৰ্গ কৰিবলৈ সাজু, তেওঁ অদম্য। পৃথিৱীত এনে একোটো নাই যালৈ তেওঁ ভয় কৰে। তোমাৰ বন্দুক, বৰতোপ, ঢাল, তৰোৱাল, সকলো তেওঁৰ আগত মিছা। এনে মানুহলৈ সাৱধান হবা। এনে মানুহ

যদি তোমাৰ শত্ৰু হয় তেনে হলে তুমি দুৰ্গৰ ভিতৰত সেনাদলৰ মাজত সুৰক্ষিত অৱস্থাত থাকিলেও মহাবিপদৰ মাজত। কেতিয়া কেনেকৈ শত্ৰুৱে তোমাক ঢুকি পায় তাৰ কোনো স্থিৰতা নাই। দৃষ্টান্তৰ নিমিত্তে পৰীক্ষিতোপাখ্যান পঢ়া।

ন্যায় ধৰ্ম্মৰ নিমিত্তে যিসকল মানুহে এনেদৰে প্ৰাণ উছৰ্গি সাজু হব পাৰে তেওঁবিলাকৰ জীৱন ধন্য। তেওঁবিলাক মহাত্মা। তেওঁবিলাকেই বীৰ।

গুৰিবেপৰা খৰচি-মাৰি পঢ়ি যোৱা লৰাই আকস্মিক পৰীক্ষালৈ ভয় নকৰে। ধাৰ্ম্মিক মানুহবিলাকে নিজৰ জীৱনৰ কাৰ্য্যবিলাক গুৰিবেপৰা এনে দৰে জুকিয়াই নিয়ে যে তেওঁবিলাকে যেতিয়াই তেতিয়াই ঈশ্বৰৰ আগত উপস্থিত হৈ, নিজৰ জীৱনৰ account দিবলৈ সাজু হব পাৰে। তেওঁবিলাকে যেতিয়াই তেতিয়াই ইহলোক পৰিত্যাগ কৰিবলৈ সাজু। তেওঁবিলাকৰ তালিটোপোলা সদাই বন্ধা। কৰ্ত্তব্যৰ bugle-call শুনিলে, সকলো সময়তে তেওঁবিলাকে যি ফালে যাবৰ হুকুম হয় সেইফাললৈকে "মাৰ্চ্চ" কৰিবলৈ ষোল অনা সাজু। ইহজীৱনৰ কৰ্ত্তব্যবিলাক আগিৰে পৰা এইদৰে জুকিয়াই লৈ গৈছোঁ বুলি যিজনে কব পাৰে তেওঁৰ জীৱন ধন্য। কোন সময়ত মহাকৰ্ত্তব্যৰ আহ্বান পৰে আমি কব নোৱাৰোঁ। বিগুলৰ মাত শুনামাত্ৰকে যিজনে এক মুহূৰ্ত্তৰ ভিতৰতে যাত্ৰাৰ নিমিত্তে সাজু হৈ লব পাৰে তেওঁৰ জীৱন ধন্য।

নিজৰ অতি প্ৰিয়বস্তু—নিজৰ প্ৰাণ—দিবলৈ সাজু হৈ কাৰ্য্যক্ষেত্ৰত বিচৰণ কৰা মানুহৰ জীৱন মহা শান্তিময়। সংসাৰৰ সুখ দুখৰ মহাঘূৰ্ণিৰ মাজত থাকিও তেওঁ স্বৰ্গীয় শান্তি উপভোগ কৰিবলৈ সমৰ্থ। এনে মানুহৰ প্ৰত্যেক পদবিক্ষেপতে প্ৰত্যেক কাৰ্য্যতে শান্তিময় সাজুভাৱৰ বিকাশ দেখিবলৈ পোৱা যায়। তেওঁ জনক ৰজাৰ দৰে জ্ঞাননত্ৰ মহৰ্ষিত্ব লাভ কৰিলে, তেওঁ সুখী। কিয়নো, ৰাজধানী মিথিলাপুৰি জুইলাগি চকুৰ আগতে ভস্মীভূত হলেও তেওঁৰ কোনো প্ৰকাৰ মানসিক বিকৃতি নঘটে। তেজোদৃপ্ত গৰ্ব্বোন্নত যোদ্ধা হলেও তেওঁ সুখী। কিয়নো যেনে কি আকস্মিক আৰু ভয়াবহ ভাৱে মৃত্যু তেওঁৰ আগলৈ আহক, তেওঁ তাৰ নিমিত্তে সাজু। স্নেহলতাই যদি নিজৰ মনটো বিশ্লেষণ কৰি চাই, উপায়ান্তৰ নেদেখি



সাজু হৈ আত্মবিসৰ্জ্জন কৰিছে, তেনেহলে তেওঁ সুখী। সাজু হৈ ডাঙৰ কাম কৰিলে যিমান প্ৰশংসা দিব পাৰি, অসাজু অৱস্থাত ঘটনাক্ৰমে তেনে ডাঙৰ কাম কৰিলে তিমান প্ৰশংসা দিব নোৱাৰি।

সি যি কি নহক, এনেদৰে সাজু মানুহ হে জীৱনৰ মহাকৰ্ত্তব্য সাধনৰ নিমিত্তে যোগ্য মানুহ। যি জাতিৰ ভিতৰত যি ধৰ্ম্মসম্প্ৰদায়ৰ ভিতৰত এনেবিধ মানুহৰ সংখ্যা বেছি সেই জাতি আৰু সেই ধৰ্ম্মসম্প্ৰদায় ধন্য। সভ্য হক অসভ্য হক, পুৰণি জাতি হক, নতুন জাতি হক, উচ্চ হক, নীচ হক, নৰসমাজে এই শ্ৰেণীৰ মানুহৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিবই লাগিব। এনে শক্তি নাই, যি, কৰ্ত্তব্যৰ বাটেদি এনেদৰে সাজু হৈ আগবঢ়া ধৰ্ম্মপ্ৰাণ মানুহক ঘূৰাব পাৰে। শত্ৰুভয় আৰু স্বাৰ্থচিন্তাই এওঁবিলাকক এফেৰিকে বিপথ-গামী কৰিব নোৱাৰে। আৱশ্যক হলে, এনেবিধ মানুহ গোটেইটো নৰ-সমাজৰ বিৰুদ্ধে অকলশৰে দণ্ডায়মান হব পাৰে। ন্যায় আৰু ধৰ্ম্মৰ বল বৰ ডাঙৰ বল। অসংখ্য নাৰায়ণী সেনা দুৰ্য্যোধনৰ সহায় আছিল। পাণ্ডৱৰ কিন্তু অকল শ্ৰীকৃষ্ণ হে সহায় আছিল। তথাপি কৌৰৱে পাণ্ডৱক জিনিব নোৱাৰিলে। ঈশ্বৰে কৰক, ধৰ্ম্মধনেই যেন আমাৰ জীৱনৰ প্ৰধান সম্বল হয়। আৰু এই সম্বল লগত লৈ, আৱশ্যক হলে, কৰ্ত্তব্যৰ আহ্বানত, দধিচিৰ দৰে তনুত্যাগ কৰি, খৃষ্টৰ দৰে আত্মদান কৰি, শিবিৰ দৰে গাৰ মাংস কাটি দি, গেলিলিওৰ দৰে সত্যৰ নিমিত্তে শৃঙ্খলাবদ্ধ হৈ, আমাৰ সকলোৱে যেন জীৱন ধন্য কৰিবলৈ সমৰ্থ হয়। আমাৰ জীৱনটো যেন ক্ষুদ্ৰ বৃহৎ সকলোবিধ কৰ্ত্তব্যৰ নিমিত্তে, ভাল বেয়া সকলো প্ৰকাৰ ভাগ্য পৰিবৰ্ত্তনৰ নিমিত্তে, সকলোবিধৰ ভয়, শোক, সুখ দুখৰ নিমিত্তে সদাই সাজু অৱস্থাত থাকে। ঈশ্বৰে কৰক, সাধনাৰ বলেৰে এনে মানসিক অৱস্থা লাভ কৰি আমি যেন নৱজীৱন ধন্য কৰিব পাৰোঁ। আমাৰ জীৱনটো যেন এনেদৰে জুকিয়াই থোৱা অৱস্থাত লগাবলৈ আগবঢ়াই দিব পাৰোঁ।

পাঠক, তুমি ওপৰত কোৱাদৰে সাজু নে? যদিহে সাজু, তেনে হলে তুমি ঘোৰ বিপদতো স্বৰ্গীয় শান্তি ভোগ কৰিবলৈ সমৰ্থ। ক্ৰোধাদি ভাবাবেগত অন্ধ হৈ আগবঢ়া মানুহে কিন্তু প্ৰতি পদবিক্ষেপতে অনুতাপ কৰিব লাগিব। ইতি।

শ্ৰীজ্ঞানানন্দ জগতী।

## সঙ্গীত-অধ্যাপক লক্ষ্মীৰাম বৰুৱা।

"দলতি হৃদয়ং গাঢ়োদ্বেগং দ্বিধা তুন ভিদ্যতে
বহতি বিবশঃ কায়ো মোহং ন মুঞ্চতি চেতনাম্।
জ্বলয়তি তনূমন্তৰ্দাহঃ কৰোতি ন ভস্মসাৎ
প্ৰহৰতি বিধিৰ্মৰ্ম্মচ্ছেদী ন কৃন্ততি জীৱিতম্" ॥

———উত্তৰ ৰামচৰিত, ভৱভূতি।

আজি আপোন-পাহৰা প্ৰেমময় কবিৰ বীণাৰো সাধ্য নাই যে, উচ্ছ্বসিত প্ৰাণৰ কৰুণাকাহিনীত বাসন্তী তানেৰে অমৃতৰ ধাৰা বোৱায়! আজি হৃদয় উন্মত্ত কৰা দীপক ৰাগ নাই, সঙ্গীতৰ ললিত ছন্দ নাই। সাৰস্বত কুঞ্জৰ সেই দিগন্তব্যাপী মধুৰ ধ্বনি সেই স্নিগ্ধ মোহন তান অকস্মাৎ ধীৰ সমীৰণৰ লগত মিহলি হৈ, মৰতত প্ৰতিধ্বনি মাথোন এৰি আজি সংসাৰৰ সিপাৰে নিজম প্ৰকৃতিৰ বুকত ধীৰ গম্ভীৰ হৈ উঠিছে! কুসুম-কুঞ্জত সেই মধুৰ ধ্বনি, সেই মোহন তান আকৌ কাণত নপৰিব!

যোৱা চতৰ প্ৰথম দিনা দেওবাৰে "সঙ্গীত কোষ," "সঙ্গীত-সাধনাৰ" গ্ৰন্থকাৰ সঙ্গীত বিজ্ঞানবিৎ বৰুৱাদেও স্বৰ্গী হল। এই শোকৰ বাতৰিত অসম জয় পৰিল।

বৰুৱাদেৱৰ সাহিত্য-চৰ্চ্চা মনোযোগৰ যোগ্য। "উষাত" তেখেতৰ "সঙ্গীত" নামেৰে এটি সুদীৰ্ঘ বৈজ্ঞানিক প্ৰবন্ধ ওলাইছিল; তেখেতে নিজেৰো "বীণা" নামেৰে এখন মাহেকীয়া কাকত উলিয়াব খুজিছিল। বৰুৱাদেৱৰ অপ্ৰকাশিত কিতাপো আৰু ৬।৭ খন থাকিল, তাৰে এখন ইংৰাজীত লিখা। "সঙ্গীত-কোষৰ" দ্বিতীয় সংস্কৰণো হাতত লোৱা ভাগেই থাকিল। এই কিতাপবিলাকৰ কিছুমান অসম্পূৰ্ণ, খনদিয়েক সৰু সৰু (Pamphlet) "হাৰ্ম্মনিয়ম শিক্ষা," "বেহেলা শিক্ষা" আদি। সঙ্গীতৰ বৈজ্ঞানিক আলোচনা কৰি লিখা এই কিতাপখিনি ছপা হৈ ওলালে, অসমীয়া জাতিৰ, অসমীয়া সাহিত্যৰ যি উপকাৰ হ'ব সি বৰ্ণনাৰ অতীত।

সভা সমিতি পাতি, বৰুৱাদেৱৰ স্মৃতি ৰক্ষাৰ ব্যৱস্থা কৰি, আমি বৰুৱাদেৱৰ প্ৰতি গভীৰ কৃতজ্ঞতা দেখুৱালোঁ, কিন্তু, ইমানতে আমাৰ কৰ্ত্তব্য



অন্ত হোৱা নাই। আচল কৰিব লগীয়া জাতীয় সাহিত্যৰ হিতকৰ কামত আমি এতিয়াও হাত দিয়া নাই। বৰুৱাদেৱৰ জীৱনী ওলোৱাটো নিতান্ত বাঞ্ছনীয়। বৰুৱাদেৱৰ অপ্ৰকাশিত কিতাপবিলাক প্ৰকাশ কৰিবলৈ অসমীয়াই চেষ্টা কৰা উচিত।

বৰুৱাদেৱৰ সহধৰ্ম্মিণী আগেয়েই ঢুকাইছিল, পাছত আৰু তেখেতে বিয়া কৰোৱা নাছিল। তেখেতৰ পাঁচোটি সন্তান, তিনটী ছোৱালী আৰু ২টি লৰা। ছোৱালী দুটী বিবাহিতা, এটী সবাতকৈ সৰু। লৰা দুটিয়ে স্কুলত পঢ়িছে।

সঙ্গীত বিষয়ত বৰুৱাদেও আসামত অদ্বিতীয় মানুহ আছিল। আসামত সঙ্গীতৰ বৈজ্ঞানিক চৰ্চ্চা কেৱল তেখেতেইহে কৰিছিল। আমাৰ দুৰ্ভাগ্য, এনে এজন মানুহক অকালত হেৰুৱালোঁ! সেই বাবেই, কেতিয়াবা কেতিয়াবা অজ্ঞাতসাৰে দুটোপা চকুৰ পানী ওলাই যায়।

যোৱা দেৱ! জীৱনব্যাপী সাধনাৰ উপযুক্ত ধামত বিশ্ৰাম লোৱাঁগৈ; অনন্ত সোঁৱৰণিয়ে তোমাক হৃদয়ৰ স্নিগ্ধ চেনেহৰ কুসুম-ৰেণুৰে আবৰি ৰাখিব!

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

## ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহা।

"সোঁৱৰণি-শোক বাজিয়ে আছিল
ভুকুৱাই ভগা বুকু;
লগে লগ ধৰি বিষধৰ শেলে
বিন্ধিলে ইবেলি চকু!"

———পদ্মনাথ বৰুৱা।

১২ এপ্ৰিল, ২৯ চত, দেওবাৰে ৰাতি শিৱসাগৰৰ প্ৰতিষ্ঠাবান্ উকীল ৰায়বাহাদুৰ চলিহা ডাঙৰীয়া স্বৰ্গী হল এজন স্বদেশ-প্ৰাণ সুসন্তান হেৰুৱাই অসমৰ আজি পূৰাব নোৱৰা ক্ষতি। বি-এ জগন্নাথৰ পাছত,

কৰো চাকৰী নকৰাকৈ স্বাধীন ব্যৱসায় ধৰি “ৰায়বাহাদুৰৰ” নিচিনা ওখ খিতাপ পোৱা অসমীয়া সৰহ নাছিল। আমাৰ দুৰ্ভাগ্য, তাৰে অন্যতম চলিহা ডাঙৰীয়াক আমি অকালত হেৰুৱালোঁ।

বাস্তৱতে কবলৈ গ'লে, পুণ্যাত্মা সাধকৰ মুক্তিত আমাৰ অপাৰ আনন্দ, কিন্তু বিচ্ছেদত আমাৰ অনিৰ্ব্বচনীয় বিষাদ, হিয়া ফাটি যাব খোজে। যথাৰ্থতে আজি বিচিত্ৰ কাৰণৰ গুণত একেটা কৰুণৰসৰে শোকহৰ্ষাদি ভিন ভিন ৰূপত পৰিণতি হ'ল।

যোৱা মহাত্মন্!

“দেৱৰ মৰম পাই মৰণ পাহৰি
থাকা গই স্বৰ্গীয় সুখত,
কেতিয়াবা কৰবাত লভিলে আজৰি
সুৰ দিবা আমাক মনত।
আকউ জনম লভি আমাৰ মাজত
শীৰ্ষস্থান কৰ অধিকাৰ
চলাবা অসম দেশ, আমি মৰমত
ভক্তি দিম দুখীয়া হিয়াৰ।”

———দুৰ্গেশ্বৰ শৰ্ম্মা।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# লক্ষীৰাম বৰুৱা।

বাসন্তী-পুৰাতে ফুলিৰ অন্তৰ্দ্ধান; মাধৱী-মাহতে সঙ্গীতৰ অৱসান। সঙ্গীতৰ ওস্তা বৰুৱাদেৱ আৰু এই জগতত নাই। মলয়াৰ সুৰে সুৰে সৌৰভ বিলাই থাকোতে থাকোতে সন্ধিয়া নৌ-হওঁতেই বায়ুৰ ভৰ সহিব নোৱাৰি হঠাৎ ফুলপাহি সৰি পৰে যিদৰে, ঠিক সেইদৰে বৰুৱাদেৱো হঠাৎ সৰি পৰিল। সৰগৰ পাৰিজাত সৰগলৈ উলটি গল; চিনোতা জানোতাৰ কন্দুৱাই হাঁহি হাঁহি বৰুৱাদেৱে মহামেলানি ললে।

যি চিৰশান্তি বিচাৰি বৰুৱাদেৱে গাইছিল—



“বিষয় বাসনা মোৰ
সকলো পৰিছে ওৰ
খোজে এবে চিৰশান্তি
তাপিত জীৱন।”

বসন্তে, নতুন বছৰৰ আৰম্ভতে, প্ৰকৃতিৰ লীলা-খেলা চাই চাই যোৱা চতৰ পহিলা তাৰিখ দেওবাৰে বৰুৱাদেৱে সেই চিৰশান্তি লভিলে। বৰুৱাদেৱ অকালতে—দুপৰতে মাৰ গল। কোনে ভাবিছিল যে, দুপৰীয়া শেষ হওঁতে-নৌ-হওঁতেই বৰুৱাদেৱৰ জীৱনৰ সন্ধিয়া উপস্থিত হবহি। মূৰ্খ আমি, আমি মাথোন কান্দিবহে জানো! পৰমপিতা পৰমেশ্বৰৰ সৃষ্টি ৰহস্যৰ তত্ব বুজিব পৰা শক্তি আমাৰ কত?

সঁচাকৈয়ে, বৰ্ত্তমান যুগৰ কোনো অসমীয়া যদি সঙ্গীত বিদ্যাত কৃতকাৰ্য্য হব পাৰিছিল—তেওঁ লক্ষীৰাম। যদি কোনো অসমীয়াই সঙ্গীত বিদ্যাৰ চৰ্চ্চাত মন প্ৰাণ সপি দিছিল—তেওঁ লক্ষীৰাম। যদি কোনো অসমীয়াই নিজৰ ভাষাক সঙ্গীতেৰে চহকী কৰিবলৈ চেষ্টা কৰিছিল—তেওঁ লক্ষীৰাম। এনে লক্ষীৰামৰ বিহনত আসাম শোকাকুল।

গুণীৰ গুণ মানীৰ মান কতো নেহেৰায়। বৰুৱাদেৱ গুণী আছিল, গতিকে তেওঁ সকলোৰেপৰা মান পাইছিল। কিন্তু তেওঁ মানৰ আকলুৱা নাছিল। আপোনাৰ গুণত আপোনাআপুনি তেওঁ সকলোৰেপৰা শ্ৰদ্ধা-ভক্তি আকৰ্ষণ কৰিব পাৰিছিল।

বঙ্গ-বীণাপাণি সত্যবালা দেৱী প্ৰতিষ্ঠিত All India Academy of Music নামে ভাৰত-সঙ্গীত সভাই তেওঁক সেই সভাৰ সদস্যৰূপে বৰণ কৰিছিল। আৰু তাৰ নিদৰ্শণ স্বৰূপে বৰুৱাদেৱক এ, এ, আই, এফ, এম, উপাধিৰে ভূষিত কৰিছিল।

বৰুৱাদেৱ সকলোৰে চেনেহৰ পাত্ৰ আছিল। দেশী বিদেশী সকলোৰে তেওঁক সমানে ভাল পাইছিল। সেইহে তেওঁৰ নৰীয়া অৱস্থাত সকলোৱে দিনে ৰাতিয়ে খবৰ-বাতৰি লৈ পাৰ্য্যমানে তেওঁক সহায় কৰিছিল।

বৰুৱাদেৱৰ সহধৰ্ম্মিণীৰ আগেয়েই মৃত্যু ঘটিছিল। প্ৰিয় ভাৰ্য্যাৰ অকাল

মেলানিত বৰুৱাদেৱৰ 'সুখৰ সপোন, একে তিলে হল ওৰ'। স্বৰ্গীয়া ভাৰ্য্যাৰ সোঁৱৰণত বৰুৱাদেৱে গাইছে—

"কিয় শুনো এনেয়ে সদায়,
একেটি ৰাগিনী কোনে গায় ?
শুনিছিলোঁ একে থিৰে
তাহানি তোমাৰ সুৰে,
কতনো অমিয়া ধাৰা
ঢালিছিলে হায় !
একে সুৰে আছে গাঁথা ;
সকলো তোমাৰে কথা
তুমি বিনে শূন্য হিয়া
আজি উঠিছে আৰাও !
নাই গোৰা কোনেও শুনাই ।"

বৰুৱাদেৱৰ হিয়াৰ গভীৰ বেদনা গীতৰ সুৰত প্ৰকাশ হৈ পৰিল।

অসমীয়া ভাষা বৰুৱাদেৱৰ ওচৰত ঋণী। তেওঁৰ 'সঙ্গীত কোষ' আৰু 'সঙ্গীত-সাধনা'—অসমীয়া ভাষাৰ গৌৰৱ-স্বৰূপ। আমাৰ পুৰণি গীতবিলাক তেওঁ সুৰ তাল মান ঠিক কৰি সকলোৰে গাব পৰা কৰি দি গৈছে। ইয়াৰ বাহিৰেও, উষাত প্ৰকাশিত হোৱা বৰুৱাদেৱৰ 'সঙ্গীত' নামৰ প্ৰবন্ধটিত বৰুৱাদেৱৰ পাণ্ডিত্য আৰু প্ৰতিভা বেছ জিলিকি উঠিছে। শোকৰ বিষয় যে এনে এটা প্ৰবন্ধ ক্ৰমশঃ হৈয়েই ৰল। তাতোকৈ শোকৰ বিষয় যে, বৰুৱাদেৱে অনেক যো-যা কৰিও 'সঙ্গীত কোষ'ৰ দ্বিতীয় তাঙ্গৰণ প্ৰকাশ কৰি উলিয়াব নোৱাৰিলে। সেই তাঙ্গৰণ প্ৰকাশ হোৱাহেঁতেন কিতাপখনৰ জেউতি আৰু বাঢ়িলহেঁতেন। অসমীয়াৰ দুৰ্ভাগ্য !

শ্ৰীলক্ষ্মীনাথ ফুকন।

---